Content includes AI-generated material




www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, MAY 31, 2025 ■ শনিবাৰ, ১৬ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৫৩ Guwahati, Assam ।। মূল্যঃ এটকা

## সোণ দিলেও হীৰেন গোহাঁয়ে আপত্তি কৰিব

■ ডঃ হীৰেন গোহাঁই



বিশেষ কথা

আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে অসমৰ মানুহ প্ৰতি ঘৰকে ২ পৃষ্ঠাত





গুহেটীক আৰু কেথানো নাযাও, গুহেটীক নমস্কাৰ... গুৱাহাটীৰ কৃত্ৰিম বানত মহানাগৰিকৰ বিলৈ, শুকুৰবাৰৰ দৃশ্য

## ৪০০০ কোটিৰ ঋণ বাতিলৰ সিদ্ধান্ত এছিয়ান ডেভেলপমেণ্ট বেংকৰ

# প্ৰতিবাদৰ অন্তত জয়ৰ দিশে কাৰ্বি আংলঙৰ জনতা!

● অনুমোদন সত্ত্বেও চুক্তিত নহ'ল স্বাক্ষৰ, ঋণ বাতিলৰ সিদ্ধান্তৰ কথা জনালে এছিয়ান ডেভলপমেণ্ট বেংকে



ই-সংবাদ, ৩০ মে': অৱশেষত বৃহৎ জয় হ'ল কাৰ্বি আংলংবাসীৰ! চৰকাৰে খিলঞ্জীয়া লোকৰ ১৮,০০০ বিঘা ভূমি অধিগ্ৰহণ কৰি সৌৰ শক্তি প্ৰকল্প স্থাপনৰ সিদ্ধান্ত লৈছিল যদিও ৰাইজে নেৰা-নেপেৰা প্ৰতিবাদ অব্যাহত ৰাখিছিল। এই প্ৰতিবাদক চতুৰ্থ পৃষ্ঠাত

## অংকিতা ভাণ্ডাৰী কাণ্ড

## বিজেপি নেতাৰ পুত্ৰসহ ৩ জনক যাৱজ্জীৱন বিহিলে কাৰাদণ্ড



ডেৰাডুন, ৩০ মে': দেশত মহিলাৰ সুৰক্ষাক লৈ প্ৰশ্নৰ উত্থাপন কৰা আৰু ৰাজনৈতিক ৩ নং পৃষ্ঠাত

## এছআইটিৰ ভূমিকাত ক্ষুণ্ণ ৰিপুণ বৰা

ই-সংবাদ, ৩০ মে': সাংসদ গৌৰৱ গগৈৰ পাকিস্তান লিংক সম্পৰ্কে তদন্ত কৰিবলৈ অসম ৪ পৃষ্ঠাত

## চৌদিশে পানী, পানী... জলবন্দী মহানাগৰিক

ই-সংবাদ, ৩০ মে': ৯ বছৰীয়া বিজেপিৰ শাসনৰ চূড়ান্ত বিফলতা উদঙাইছে গুৱাহাটীৰ কৃত্ৰিম বানে। দুদিন ধৰি হে অহা নেৰা-নেপেৰা বৰষুণৰ ফলত গুৱাহাটীবাসী নৰকযন্ত্ৰণাত ভুগিবলগীয়া হৈছে। যোৱা দুদিন ধৰি চৌদিশে জলবন্দী মহানগৰীৰ জনতা। ৫ নং পৃষ্ঠাত

**সাগৰ যেন হৈ পৰিল ৰোৱাবাট-খানাপাৰা, বন্ধ দিলে অফিচ-কাছাৰী, বিদ্যুৎ যোগানো ব্যাহত**

## গৌৰৱ গগৈক জেৰাৰ অনুমতি বিচাৰি পত্ৰ দিব লোকসভাৰ অধ্যক্ষলৈ সাজু হৈছে এছআইটি



ই-সংবাদ, ৩০ মে': প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ পাক লিংক সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ ৩ পৃষ্ঠাত চাওক



ৰাহুল গান্ধীৰ সৈতে নিউজিলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰীক সাক্ষাৎ গৌৰৱৰ

## প্ৰাণ যাওক, কিন্তু বচন নাযায়! বিহাৰত পিএম মোদী

পাটনা, ৩০ মে': সন্ত্ৰাসবাদৰ বিৰুদ্ধে চৰকাৰৰ দৃঢ় স্থিতিৰ কথা সোঁৱৰাই দি আকৌ জনসভাত সৰৱ হ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। আগন্তুক বিহাৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি কাৰকেটাত এখন জনসভা সম্বোধন কৰি অপাৰেশ্যন সেন্দুৰৰ ২ পৃষ্ঠাত

## লবী ৰাজনীতি বন্ধ কৰিবলৈ কঠোৰ নিৰ্দেশ

## নৱগঠিত প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰে ৰাষ্ট্ৰীয় নেতৃত্বৰ বৈঠক



নতুন দিল্লী, ৩০ মে': আগন্তুক নিৰ্বাচনৰ পূৰ্বে অসমত শাসকীয় বিজেপিক প্ৰতিহত কৰাৰ কৌশল চূড়ান্ত কৰিবলৈ ২ পৃষ্ঠাত চাওক

## অস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ সিদ্ধান্তত কেন্দ্ৰৰ হস্তক্ষেপ দাবী

### বিদেশ মন্ত্ৰী জয়শংকৰলৈ দেৱব্ৰতৰ পত্ৰ

গুৱাহাটী, ৩০ মে': অসম চৰকাৰৰ দুটা বিতৰ্কিত সিদ্ধান্তৰ বিৰুদ্ধে গৰজি উঠিল অসম বিধানসভাৰ বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়া। অবৈধ অনুপ্ৰৱেশৰ সন্দেহত শ শ ৩ নং পৃষ্ঠাত

## বৰষুণ বিভীষিকা! মহানগৰীত কাঢ়িলে ৪ জনৰ প্ৰাণ, ধুমুহাত কলিয়াবৰ-চাবুৱাত ২জন নিহত

ই-সংবাদ, ৩০ মে': ধাৰাসাৰ বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ লগতে সমগ্ৰ ৰাজ্যতে একপ্ৰকাৰ স্তব্ধ হৈ পৰিছে জনজীৱন। ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সোণ দিলেও হীৰেন গোহাঁয়ে আপত্তি

এতোলাকৈ সোণ দিলেও হীৰেন গোহাঁয়ে আপত্তি কৰিব। অলবৎ কৰিম। সোণখিনি যদি তেওঁৰ বৃহৎ সম্পত্তিৰ পৰা দান কৰে, তেনে হ'লে অৱশ্যে কথা বেলেগ। ডাঙৰ মানুহৰ খেয়াল বুলি তেতিয়া মনে মনে থাকিম। কিন্তু তেওঁ তেনে কৰাৰ আশা নাই, বৰং অসম চৰকাৰৰ যৎসামান্য আয়ৰ পৰাই দিব। আৰু তাক চূড়ান্ত অৰ্থনৈতিক দায়িত্বহীনতা বুলি মই গৰিহণা দিমেই।

তেওঁ যোৱা কেইবছৰে বিকাশৰ নামত কি কৰিছে? জধে-মধে বিৰাট বিৰাট নিৰ্মাণ কাৰ্য। ই ৰাইজৰ কি বিকাশ ঘটাইছে?মনত ৰাখিব, বিকাশ এটা আলাসতে ভাহি থকা  বস্তু নহয়। কাৰোবাৰ নহয় কাৰোবাৰ বিকাশ হ'ব লাগে।

কিন্তু বহু কেইটা বিৰাট ঘৰৰ আগত 'মেডিকেল কলেজ' বুলি ছাইন বোৰ্ড লগাই দিলেই সি মেডিকেল কলেজ হৈ নাযায়। অসংখ্য ৰোগীক দিনৌ জি এম চিলৈ ৰেফাৰ কৰি জি এম চিৰো ডাক্তৰ সকলৰ তালু গৰম কৰিছে। তেন্তে কাৰ বিকাশ হ'ল? যদি বিকাশৰ পৰা অসমৰ ৰাইজৰ কোনো উপকাৰ নহয়, তেন্তে দৰকাৰ নাই বিকাশৰ।

তেনেদৰে পচিছ হেজাৰ বিহুৱতী নচুৱা, বিহুতলি নামঘৰ মন্দিৰক লাখ লাখ টকা বিলোৱাৰ ধনো তেওঁৰ ব্যক্তিগত আয়ৰ পৰা অহা নাই। ই অবাবত নষ্ট কৰা আটকীয়া চৰকাৰী ধন। তেনেদৰে বিৰাট বিৰাট ফ্লাই-অভাৰ। বিপুল সংখ্যক ৰাইজক একো সকাহ দিয়া নাই, বৰং জধে-মধে অঞ্চলটোৰ ভূ-প্ৰাকৃতিক বৈশিষ্ট্য অধ্যয়ন নকৰাকৈ বনোৱা হেতুকে তাৰ তলৰ ঘৰবোৰত ৰ'দ নপৰে আৰু পানী উঠা হৈছে। অৰ্থাৎ এই বিকাশে বিনাশ ঘটাইছে।

হিমন্ত বিশ্বৰ দৰে বিজেপিৰ সৰু-বৰ সকলো নেতাৰ গোড়ামি আৰু অজ্ঞতাৰ ফলত এটা অতি উদ্বেগজনক সাম্প্ৰতিক ঘটন তেওঁলোকে গণ্যই কৰা নাই।

সমগ্ৰ বিশ্বৰ জলবায়ু এতিয়া সাংঘাতিক খেলিমেলিৰ গৰাহত। অতিবৃষ্টি, বিধ্বংসী ধুমুহা, ভূমিস্খলন, নদীৰ প্ৰচণ্ড খহনীয়া, ইত্যাদি ঘটনাৰ আঘাতো বৃহৎ বিপৰ্যয় হৈছে সাধাৰণ ৰাইজৰ বাবে। এই পৰিস্থিতিত যি কোনো বৃহৎ নিৰ্মাণ কাৰ্য হাতত লোৱাৰ পূৰ্বে তাৰ পৰিণামৰ বৈজ্ঞানিক অধ্যয়ন অতি জৰুৰী। বিজেপি নেতা সকলৰ অবৈজ্ঞানিক মনোভাৱৰ বাবে এনে অধ্যয়ন তেওঁলোকে নকৰে। ফল ভুগিব লগা হয় দুৰ্ভগীয়া জনগণে। এই পৰিস্থিতিৰ পৰিৱৰ্তন অত্যন্ত প্ৰয়োজনীয়। দম্ভালি বৰ্জন কৰি কথাষাৰ তেওঁলোকে শুনা ভাল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নৱগঠিত প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰে ৰাষ্ট্ৰীয়

শুকুৰবাৰে দিল্লীত অনুষ্ঠিত এক উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয় সৰ্বভাৰতীয় কংগ্ৰেছ কমিটি আৰু নৱগঠিত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ নেতৃত্ব। বৈঠকৰ অন্তত কংগ্ৰেছ নেতাসকলে হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰক তীক্ষ্ণ ভাষাৰে আক্ৰমণ কৰে। বৈঠকৰ অন্তত এআইচিচিৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং আলৱাৰে সংবাদ মাধ্যমক সম্বোধন কৰি অসম চৰকাৰক তীব্ৰ সমালোচনা কৰি কয় যে, হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ অপব্যৱস্থাপনা আৰু দুৰ্নীতি কংগ্ৰেছে ৰাইজৰ আগত উদঙাই দিব। তেওঁ আৰু দাবী কৰে যে গৌৰৱ গগৈৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তাত এতিয়া বিজেপি আৰু মুখ্যমন্ত্ৰী হতাশ হৈছে। বৈঠকৰ ফলাফল সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কংগ্ৰেছ সাংসদ তথা নৱ নিযুক্ত এপিচিচিৰ সভাপতি গৌৰৱ গগৈয়ে কয় যে আজিৰ বৈঠকৰ আৰম্ভণিতে বিদায়ী এপিচিচিৰ সভাপতি ভূপেন বৰাৰ শক্তিশালী নেতৃত্বৰ বাবে আমি আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। ৰাজ্য চৰকাৰক সমালোচনা কৰি তেওঁ কয়, "বিজেপি চৰকাৰৰ গুণ্ডাৰাজ, ছিণ্ডিকেটৰাজ আৰু দুৰ্নীতি প্ৰতিহত কৰা হ'ব। খাদ্য সুৰক্ষা, গৃহ নিৰ্মাণ, নিবনুৱা সমস্যা, বানপানীৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহ সমাধান কৰাৰ পৰিৱৰ্তে চৰকাৰে এতিয়া অস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ কথা চিন্তা কৰিছে। এয়া তেওঁলোকৰ প্ৰশাসনিক ব্যৰ্থতাৰ স্পষ্ট প্ৰমাণ।" গগৈয়ে লগতে অভিযোগ কৰে যে শাসকীয় বিজেপিয়ে অস্ত্ৰৰ অনুজ্ঞাপত্ৰ ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰাৰ পৰিকল্পনা কৰিছে। গৃহমন্ত্ৰীও হৈ থকা মুখ্যমন্ত্ৰীয়ে অস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ কথা কৈছে, যিয়ে তেওঁলোকৰ আইন-শৃংখলা বজাই ৰখাত সম্পূৰ্ণ ব্যৰ্থতা প্ৰমাণ কৰে। ইফালে, পাকিস্তান সন্দৰ্ভত চলি থকা তদন্ত আৰু এছ আই টিৰ তদন্ত সন্দৰ্ভত গগৈয়ে দৃঢ়তাৰে কয় যে যদি তেওঁলোকৰ হাতত কোনো প্ৰমাণ আছে তেন্তে প্ৰকাশ কৰিব লাগে। তেওঁ প্ৰত্যাহ্বান জনাই কয়, "মই তেওঁলোকক প্ৰত্যাহ্বান জনাইছো- যদি তেওঁলোকৰ হাতত কিবা প্ৰমাণ আছে, তেন্তে তেওঁলোকে সেইটো প্ৰকাশ কৰক। মই অপেক্ষা কৰি আছো।" বিৰোধীৰ সম্ভাব্য মিত্ৰতাৰ সন্দৰ্ভত গগৈয়ে স্পষ্ট কৰি দিয়ে যে, "আজিৰ বৈঠকত কোনো মিত্ৰতাৰ বিষয়ে আলোচনা কৰা হোৱা নাছিল।" লগতে তেওঁ কয় যে বৈঠকত কিছু গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হৈছিল যিবোৰ বৰ্তমান প্ৰকাশ কৰিব পৰা নাযায়। অৱশ্যে এটি সূত্ৰৰ পৰা জানিব পৰামতে প্ৰদেশ কংগ্ৰেছত লবী ৰাজনীতি বন্ধ কৰিবলৈ কঠোৰ নিৰ্দেশ দিছে ৰাহুল গান্ধীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰাণ যাওক, কিন্তু বচন নাযায়! বিহাৰত

সাফল্যৰ গৰ্ব প্ৰকাশ কৰিলে মোদীয়ে। পাকিস্তানক শিক্ষা প্ৰদানৰ প্ৰতিশ্ৰুতি পালন কৰা বুলি দাবী কৰি মোদীয়ে কয়, "প্ৰাণ গ'লেও যাওক, কিন্তু বচন নাযায়।" ইফালে, পেহেলগাম আক্ৰমণৰ পিছত এবাৰলৈও জম্মু-কাশ্মীৰ ভ্ৰমণ নকৰা প্ৰধানমন্ত্ৰীয়ে বিহাৰৰ জনসভাত সম্বোধি ভাৰতীয় সেনাৰ শৌৰ্যক ৰাজনীতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰিছে বিৰোধীয়ে। আজি মোদীয়ে কয় যে তেওঁৰ চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ প্ৰতিশ্ৰুতি পালন কৰিছে। ২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঠিক পিছতে বিহাৰৰ মধুবনীত এক সভাত মোদীয়ে কৈছিল, "এই আক্ৰমণ সংঘটিত কৰা আৰু এই আক্ৰমণৰ ষড়যন্ত্ৰ ৰচা সকলো সন্ত্ৰাসবাদীক কল্পনাতীত শাস্তি বিহা হ'ব।" শুকুৰবাৰে মোদীয়ে পুনৰ বিহাৰ ভ্ৰমণৰ সময়ত দাবী কৰে যে সেই সময়ত দিয়া প্ৰতিশ্ৰুতি তেওঁ আখৰে আখৰে পালন কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, "মই কৈছিলোঁ যে দোষীয়ে সিঁহতে কল্পনাও কৰিব নোৱাৰা ধৰণে শাস্তি পাব। মোৰ প্ৰতিশ্ৰুতি পালন কৰি আজি মই বিহাৰলৈ উভতি আহিছো।" প্ৰধানমন্ত্ৰীয়ে কয় যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ অব্যাহত থাকিব। তেওঁ একেটা ধাৰাতে কয় যে যদি সন্ত্ৰাসবাদে পুনৰ উত্থান ঘটাবলৈ চেষ্টা কৰে তেন্তে আমি ইয়াক গাঁতৰ পৰা টানি উলিয়াই থেতেলিয়াই পেলাম। অন্যহাতে আজি, মাওবাদী দমনৰ কথাও মোদীয়ে কয়। তেওঁ কয়, "আমাৰ যুঁজখন দেশৰ সকলো শত্ৰুৰ বিৰুদ্ধে, সেয়া সীমান্তত হওক বা দেশৰ ভিতৰতে হওক। বিহাৰৰ জনসাধাৰণে দেখিছে যে আমি হিংসা আৰু অশান্তি বিয়পোৱাসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছো।" প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে তেওঁৰ চৰকাৰৰ কাৰ্যকালত দেশত মাওবাদী প্ৰভাৱিত জিলাৰ সংখ্যা ১২৫ খনৰ পৰা ১৮ খনলৈ হ্ৰাস পাইছে। এইদৰে এতিয়াই বিহাৰ বিধানসভা নিৰ্বাচনলৈ টঙালি বান্ধিছে মোদীয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ সিদ্ধান্ত

ভাৰতীয়ক আটক কৰি ৰখাৰ পিছত বলপূৰ্বকভাৱে বিতাড়ন আৰু কিছুমান সম্প্ৰদায়ৰ বাবে অস্ত্ৰ অনুজ্ঞাপত্ৰৰ নীতি শিথিল কৰাৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ তীব্ৰ সমালোচনা কৰি কেন্দ্ৰীয় চৰকাৰৰ জৰুৰী হস্তক্ষেপৰ আহ্বান জনায় শইকীয়াই। একে সময়তে তেওঁ এই সন্দৰ্ভত বিদেশ মন্ত্ৰী এছ জয়শংকৰলৈও এখন পত্ৰ প্ৰেৰণ কৰে। শইকীয়াই এই পত্ৰযোগে কয় যে ২৩ মে'ৰ পৰা অসম আৰক্ষীয়ে বহু নাগৰিকত্বহীন ব্যক্তিক আটক কৰি ৰাখিছে, যাৰ বিৰুদ্ধে নাগৰিকত্ব সন্দৰ্ভত কোনো আইনী প্ৰক্ৰিয়া নাই। পিছলৈ অৱশ্যে তেওঁলোকৰ বহুতকে মুকলি কৰি দিয়া হৈছে। শইকীয়াৰ মতে এই ঘটনাই প্ৰশাসনিক পৰ্যায়ত গুৰুতৰ অৱহেলাৰ ইংগিত দিয়ে। অন্যহাতে পৰিয়ালসমূহকো বন্দীসকলৰ বিষয়ে অৱগত কৰা হোৱা নাছিল বুলি দাবী কৰে শইকীয়াই। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি আটকাধীন বহু লোকক বাংলাদেশে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰাত 'ন'-মেন'ছ লেণ্ড'ত এৰি দিয়াও হয়, যাৰ ফলত তেওঁলোক ৰাষ্ট্ৰহীন হৈ পৰিছে। শইকীয়াই সংসদত জয়শংকৰে পূৰ্বে কৰা "জাতীয়তা পৰীক্ষণ অবিহনে পুনৰ্বাসন অসম্ভৱ।" মন্তব্যৰো উদ্ধৃতি দিয়ে। তেওঁ আশংকা ব্যক্ত কৰে যে এই ব্যৱস্থাসমূহ বিশেষভাৱে মুছলমান সম্প্ৰদায়ৰ বিৰুদ্ধে লক্ষ্য কৰি লোৱা হৈছে, যিয়ে ভাৰতৰ ধৰ্মনিৰপেক্ষ সংবিধানত আঘাত হানিছে। এই বিষয়ত কেইবাটাও বিচাৰাধীন গোচৰৰ কথাও তেওঁ উল্লেখ কৰে। বন্দী হৈ থকা সকলো ভাৰতীয়ক অনতিপলমে মুকলি কৰি দিয়াৰ লগতে কাক বন্দী কৰি ৰখা হৈছে সেই সন্দৰ্ভত বিতং তথ্য ৰাজহুৱা কৰিবলৈও দাবী জনায় কংগ্ৰেছ নেতাগৰাকীয়ে। একে সময়তে পুনৰ্বাসনৰ পূৰ্বে তেওঁলোকৰ নাগৰিকত্ব নিৰ্ণয় কৰিবলৈও আহ্বান জনায়। আনহাতে, অস্ত্ৰ অনুজ্ঞাপত্ৰ নীতি সম্প্ৰসাৰণৰ ক্ষেত্ৰতো শইকীয়াই তীব্ৰ আপত্তি প্ৰকাশ কৰে। তেওঁ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু আইন ৰাজ্যিক মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাললৈ পত্ৰ লিখি এই সিদ্ধান্তক বিপজ্জনক আৰু বিভাজনকাৰী বুলি অভিহিত কৰে। সংবিধানৰ ২১ নং অনুচ্ছেদ অনুসৰি সকলোৰে সমান অধিকাৰ আছে বুলি উল্লেখ কৰি তেওঁ কয় যে সম্প্ৰদায়ভিত্তিক অস্ত্ৰ বিতৰণ নীতি বহিৰ্ভূত। এই সিদ্ধান্তই ৰাজ্যৰ শান্তি আৰু স্থিতিশীলতা বিপন্ন কৰিব পাৰে বুলিও তেওঁ সকীয়াই দিয়ে। শইকীয়াৰ মতে এই সিদ্ধান্তই মূলতঃ এই কথাই প্ৰমাণ কৰে যে আচলতে চৰকাৰ আইন-শৃংখলা বজাই ৰখাত ব্যৰ্থ হৈছে। আন ৰাজ্যৰ উদাহৰণ দি তেওঁ কয় যে অস্ত্ৰ নীতিৰ এনে প্ৰয়োগে সৰু সৰু বিবাদকো যুদ্ধক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিব পাৰে। ইয়াৰ ফলত অসমত সশস্ত্ৰ সংগঠনৰ উত্থানৰ বাট মুকলি হ'ব পাৰে বুলিও শংকা ব্যক্ত কৰে দেৱব্ৰত শইকীয়াই। কংগ্ৰেছৰ নেতাগৰাকীয়ে কয়, "বন্দুকৰ জোৰেৰে কেতিয়াও শান্তি বজাই ৰাখিব নোৱাৰি। বহু অশান্তি সহ্য কৰি অসমৰ ৰাইজে এতিয়া স্বস্তিৰ নিশ্বাস ল'ব পাৰিছে। বিজেপিয়ে এই শান্তি বিঘ্নিত কৰাটো উচিত নহয়।" তেওঁ হিমন্ত বিশ্ব চৰকাৰৰ উক্ত হঠকাৰী কেবিনেট সিদ্ধান্ত সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰক প্ৰত্যক্ষ হস্তক্ষেপৰ বাবে আহ্বান জনাই সকীয়াই দিয়ে যে অসমক এতিয়া অস্ত্ৰৰ নহয়, উন্নয়নৰ প্ৰয়োজন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি নেতাৰ পুত্ৰসহ ৩ জনক

প্ৰভাৱক লৈ তীব্ৰ বিতৰ্কৰ সূচনা হোৱা অংকিতা ভাণ্ডাৰী হত্যাকাণ্ডত অৱশেষত ন্যায় পালে ভুক্তভোগীৰ পৰিয়ালে। শুকুৰবাৰে আদালতে উত্তৰাখণ্ডৰ প্ৰাক্তন বিজেপি নেতাৰ পুত্ৰ পুলকিত আৰ্য আৰু তেওঁৰ দুই সহযোগী সৌৰভ ভাস্কৰ আৰু অংকিত গুপ্তাক যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে। এই তিনিজন অপৰাধীক ৫০ হাজাৰ টকাকৈ জৰিমনাও বিহে আদালতে। উল্লেখ্য যে, ২০২২ চনৰ ১৮ ছেপ্টেম্বৰত নিৰুদ্দেশ হোৱা অংকিতা ভাণ্ডাৰী নামৰ যুৱতীগৰাকীৰ মৃতদেহ উদ্ধাৰ হৈছিল ৬ দিন পিছত। অংকিতাই পুলকিত আৰ্য্যৰ মালিকানাধীন 'বনান্তৰ' নামৰ ৰিজ'ৰ্ট এখনত ৰিচেপচনিষ্ট হিচাপে কাম কৰিছিল। অভিযোগ উঠিছিল যে, এই ৰিজ'ৰ্টত যৌন সম্পৰ্ক স্থাপনৰ লগতে ভিআইপি অতিথিসকলক অতিৰিক্ত সেৱা' প্ৰদানৰ বাবে অংকিতাৰ ওপৰত হেঁচা প্ৰয়োগ কৰি আহিছিল পুলকিতে। কিন্তু তেনে কৰিবলৈ অস্বীকাৰ কৰাৰ বাবেই হত্যাৰ বলি হ'বলগা হয় যুৱতীগৰাকী। ঘটনাৰ পিছত অংকিতাৰ পিতৃয়ে পুলকিত আৰু বাকীসকলৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। প্ৰসংগক্ৰমে মূল অভিযুক্ত পুলকিতৰ পিতৃ বিনোদ আৰ্য্য সেই সময়ত আছিল বিজেপিৰ নেতা। পুত্ৰক বচাবলৈ বিজেপি নেতা বিনোদ আৰ্য্যই নিজৰ ৰাজনৈতিক প্ৰভাৱ ব্যৱহাৰ কৰা বুলি অভিযোগ তীব্ৰতৰ হোৱাৰ পিছতে অৱশেষত তেওঁক দলৰ পৰা বহিষ্কাৰ কৰা হৈছিল। লক্ষ্যণীয়ভাৱে, অংকিতাৰ হত্যাকাণ্ডই সেই সময়ত জোকাৰি গৈছিল সমগ্ৰ দেশ। এই হত্যাকাণ্ডৰ পিছত পুনৰ উত্থাপন হৈছিল মহিলাৰ সুৰক্ষাৰ প্ৰশ্ন। ইয়াৰ উপৰিও প্ৰভাৱশালী ৰাজনৈতিক নেতাৰ প্ৰভাৱৰ দৰে বিষয়ক লৈ সমগ্ৰ দেশতে তীব্ৰ সমালোচনাৰ সৃষ্টি হয়। পিছত এই চাঞ্চল্যকৰ গোচৰটোৰ তদন্তৰ বাবে বিশেষ তদন্তকাৰী দল (এছআইটি) গঠন কৰা হয়। দীৰ্ঘদিনীয়া তদন্তৰ অন্তত ৫০০ পৃষ্ঠাৰ অভিযোগনামা আদালতত দাখিল কৰা হয়। পৰৱৰ্তী সময়ত ২০২৩ চনৰ ২৮ মাৰ্চৰ পৰা এই গোচৰৰ বিচাৰ আৰম্ভ হয়। পুলকিত আৰু তেওঁৰ সহযোগীসকলৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ একাধিক ধাৰাত অভিযোগ উত্থাপন কৰা হয়, য'ত ৩০২ (হত্যা), ২০১ (প্ৰমাণ ধ্বংস কৰা), আৰু ৩৫৪এ (যৌন নিৰ্যাতন) অন্তৰ্ভুক্ত। অংকিতাৰ মাতৃয়ে অভিযুক্তক মৃত্যুদণ্ডৰ দাবী জনাইছিল যদিও শুকুৰবাৰে আদালতে তিনি অপৰাধীক যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি বিহে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱ গগৈক জেৰাৰ অনুমতি বিচাৰি

চৰকাৰে গঠন কৰি দিয়া বিশেষ তদন্তকাৰী গোট চমুকৈ এছআইটিয়ে বিষয়টো সন্দৰ্ভত সাংসদগৰাকীৰ লগতে তেওঁৰ পত্নীক চমন জাৰি কৰিবলৈ সাজু হৈছে। এছআইটিয়ে শীঘ্ৰে লোকসভাৰ অধ্যক্ষৰ পৰা অনুমতি লৈ গৌৰৱ গগৈক জেৰা কৰিবলৈ আগবাঢ়িছে। গগৈৰ লগতে তেওঁৰ পত্নীক আনুষ্ঠানিকভাৱে জেৰা কৰিবৰ বাবে চমন জাৰি কৰিব এছআইটিয়ে। কংগ্ৰেছ নেতা ৰিপুন বৰাক একে গোচৰত বৃহস্পতিবাৰে জেৰা কৰা হৈছিল। মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ আৰক্ষী অধীক্ষক ৰ'জি কলিতাই এদিন পূৰ্বে কৈছিল যে পৰিস্থিতি পৰ্যবেক্ষণ কৰি থকা হৈছে। এই সন্দৰ্ভত বহুজনক জেৰা কৰা হৈছে, আৰু কেইজনমানক জেৰা কৰা হ'ব। গৌৰৱ গগৈক জেৰা কৰা হ'ব নেকি প্ৰশ্ন কৰাত ৰ'জি কলিতাই উত্তৰ দি কৈছিল যে আমাৰ চকু সকলোৰে ওপৰত আছে। গৌৰৱ গগৈৰ বিৰুদ্ধে কংগ্ৰেছৰ পাকিস্তান সংযোগ সন্দৰ্ভৰ গোচৰক কেন্দ্ৰ কৰি ৰাজ্যত ৰাজনৈতিক উত্তাল হৈ আছে। তাৰ মাজতে কংগ্ৰেছে প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব দিছে গৌৰৱ গগৈক। এতিয়া লোকসভাৰ অধ্যক্ষই সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈক জেৰা কৰিবৰ বাবে কেতিয়া অনুমতি প্ৰদান কৰে সেয়া লক্ষণীয় হ'ব। ইফালে, আজি দিল্লীত সাংসদগৰাকীয়ে সকলো তদন্তৰ বাবে সাজু হৈ আছে বুলি সদৰী কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰতিবাদৰ অন্তত জয়ৰ দিশে কাৰ্বি

চৰকাৰে গুৰুত্ব নিদিলে যদিও এছিয়ান ডেভেলপমেন্ট বেংকে গুৰুত্ব প্ৰদান কৰিছে। জনতাৰ আন্দোলনত সেও মানি কাৰ্বি আংলঙৰ বৃহৎ সৌৰশক্তি প্ৰকল্পৰ কাৰণে এছিয়ান ডেভেলপমেন্ট বেংকৰ দিবলগীয়া ৪০০০ কোটিৰ ঋণ স্থগিত কৰা হৈছে। এই খবৰ কাৰ্বি আংলঙবাসীক বাবে ডাঙৰ খবৰ। এই প্ৰকল্প ১৮,০০০ বিঘা জনজাতীয় লোকৰ ভূমিত স্থাপন হোৱাৰ কথা আছিল। কাৰ্বি জনগোষ্ঠীৰ অধিকাৰ হৰণ কৰি এই পৰিকল্পনা স্থাপনৰ যো-জা চলি থকাৰ মাজতে বৃহৎ সকাহ লাভ কৰিছে। অৱশেষত এছিয়ান ডেভেলপমেন্ট বেংকৰ ঋণ বাতিল কৰা হৈছে। বেংকৰ এই সিদ্ধান্তৰ ফলত চৰকাৰৰ জনজাতি বিৰোধী ষড়যন্ত্ৰ একপ্ৰকাৰ বিফল হৈ পৰে। জানিব পৰা মতে, অপিএচএলচিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত আইএএছ বিষয়া জে.আই কাথাৰৰ নেতৃত্বত এছিয়ান ডেভেলপমেন্ট বেংকৰ ওচৰত অভিযোগ দাখিল কৰা হৈছিল। সমগ্ৰ বিষয়টো সন্দৰ্ভত এছিয়ান ডেভেলপমেন্ট বেংকৰ বৰ্ড অৱ ডাইৰেক্টৰক সাক্ষাৎ কৰিছিল প্ৰতিবাদী নেতৃত্বই। প্ৰকল্পটোৰ দ্বাৰা কেনেদৰে জনজাতীয় লোক ক্ষতিগ্ৰস্ত হ'ব সেই কথা অৱগত কৰিছিল। জনজীৱনৰ সৈতে জড়িত বাবে বেংকটোৱে বিষয়টোক গুৰুত্বসহকাৰে গ্ৰহণ কৰি দিবলগীয়া ঋণ সম্প্ৰতি নিদিয়াৰ সিদ্ধান্ত লোৱা বুলি জানিব পৰা গৈছে। এছিয়ান ডেভলপমেন্ট বেংকৰ ৱেবছাইটত উল্লেখ কৰা তথ্য অনুযায়ী ঋণত অনুমোদন জনোৱা হৈছিল যদিও অনুমোদনৰ ১২ মাহৰ ভিতৰত চুক্তিত স্বাক্ষৰ নোহোৱাৰ ফলতে ঋণ প্ৰদানৰ সিদ্ধান্ত বাতিল কৰা হয়। লগতে ২০২৫ চনৰ ২৩ মে'ত, ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰণালয়ে এডিবিলৈ এখন চিঠি পঠিয়াই ঋণ আৰু টেকনিকেল সহায় বাতিল কৰাৰ অনুৰোধ জনায়। উক্ত অনুৰোধৰ পৰিপ্ৰেক্ষিততে বেংক কৰ্তৃপক্ষই ঋণ বাতিল কৰে বুলি জানিব পৰা গৈছে। ২০২৪ চনৰ ২৪ অক্টোবৰত বেংকটোৱে "মুখ্যমন্ত্ৰী সৌৰ শক্তি প্ৰকল্প"ৰ অধীনত ১০০০ মেগাৱাট শক্তি সম্পন্ন এই প্ৰকল্পত অনুমোদন জনাইছিল। উল্লেখ্য যে, অপিএচএলচিৰ কেন্দ্ৰীয় জনসংযোগ সম্পাদক বিক্ৰম হানছে, প্ৰণৱ দলে আৰু সুব্ৰত তালুকদাৰৰ নেতৃত্বত এই আন্দোলন অব্যাহত আছিল। চৰকাৰে এডভাণ্টেজ আছামৰ পিছতে সৌৰ প্ৰকল্পৰ স্থাপনৰ সিদ্ধান্ত লৈছিল। পাহাৰীয়া জিলা কাৰ্বি আংলঙৰ ১৮ হাজাৰ বিঘা ভূমি পুঁজিপতি গোষ্ঠীক গতাবলৈ সাজু হৈছিল ৰাজ্য চৰকাৰ। বিষয়টোক লৈ বিৰোধী কংগ্ৰেছ, অসম জাতীয় পৰিষদ আৰু ভূমি অধিকাৰ সংগ্ৰাম সমিতিয়ে তীব্ৰ বিৰোধী কৰি থলগিৰিৰ ভূমি পুঁজিপতিক গতাই দিয়াৰ সিদ্ধান্ত বাতিল কৰিবলৈ অহৰহ দাবী উত্থাপন কৰি আহিছে যদিও চৰকাৰ নচোৰবান্দা হৈ পৰিছিল। বিষয়টো ৰাজ্যসভাতো উত্থাপন কৰিছিল সাংসদ অজিত কুমাৰ ভূঞাই। অসম চৰকাৰে ষষ্ঠ অনুসূচী নীতি অস্বীকাৰ কৰি কাৰ্বি আংলঙৰ খটখটি-লংকাথাৰত প্ৰায় ১৮ হাজাৰ বিঘা ভূমিত এছিয়ান ডেভেলপমেন্ট বেংকৰ সহায়ত ১,০০০ মেগাৱাটৰ বৃহৎ সৌৰ শক্তি প্ৰকল্প নিৰ্মাণৰ কথা পোহৰলৈ অহাত শংকিত হৈছিল কাৰ্বি জনগোষ্ঠী। ২০০ বছৰ ধৰি বৃহৎ অঞ্চলৰ ২৩ খন গাঁৱত বাস কৰি থকা প্ৰায় ২০ হাজাৰ কাৰ্বি, জনজাতীয় আৰু নাগা লোকক উচ্ছেদ কৰি ভূমি অধিগ্ৰহণ কৰিব খুজিছিল। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদে অনুমতিও দিছিল। এই প্ৰকল্পৰ নামত ভূমি অধিগ্ৰহণ অসমৰ ইতিহাসৰ সৰ্বশ্ৰেষ্ঠ ভূমি অধিগ্ৰহণৰ ভিতৰত এটা হ'ব বুলি ভিন্নজনে মত প্ৰকাশ কৰি আহিছে। আটাইতকৈ দুৰ্ভাগ্যজনক কথাটো হ'ল যে অসম চৰকাৰে কোনো জনমত অবিহনে এনে কৰিবলৈ লৈছিল। প্ৰস্তাৱিত ভূমিত দীৰ্ঘদিনে অঞ্চলবাসীয়ে খেতি কৰি আহিছে। অসম-নাগালেণ্ড সীমান্তৰ এক গুৰুত্বপূৰ্ণ জৈৱ বৈচিত্ৰ্যক্ষেত্ৰত এনে বৃহৎ প্ৰকল্প ৰূপায়ণ কৰিবলৈ লোৱাটোক লৈ প্ৰকৃতিপ্ৰেমীসকলো উদ্বিগ্ন হৈ পৰিছিল। কাৰ্বি আংলঙৰ লোকসকলে কোনো ডাঙৰ ব্যৱসায়ীৰ সুবিধাৰ বাবে জীৱন-জীৱিকা হেৰুৱাব। এই বৃহৎ প্ৰকল্পটোৰ বাবে কোনো পৰিৱেশ অধ্যয়ন হোৱা নাই আৰু ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ পৰাও কোনো প্ৰক্ৰিয়াতে অনুমতি লোৱা নাছিল। অসমত ডাৱৰীয়া পৰিৱেশ আৰু বৰষুণৰ বাবে এই প্ৰকল্পটো কিমান সফল হ'ব সেয়াও গুৰুত্বপূৰ্ণ। সৌৰ শক্তি প্ৰকল্পটোৰ সৈতে প্ৰায় ২০ হাজাৰ কাৰ্বি, নাগা আৰু জনজাতীয় লোকৰ জীৱন-জীৱিকাৰ সৈতে জড়িত। উল্লেখ্য যে, অসমৰ জনজাতীয় লোকে ভোগ দখল কৰি থকা ১৮ হাজাৰ বিঘা মাটি কাঢ়ি লৈ ১০০০ মেগাৱাটৰ বৃহৎ সৌৰশক্তি প্ৰকল্প নিৰ্মাণৰ বাবে সাজু হৈছে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ। কাৰ্বি আংলং জিলাৰ কাৰ্বি আংলঙৰ খটখটি-লংকাথাৰত ১৮ হাজাৰ বিঘা ভূমি অধিগ্ৰহণ কৰিবলৈ তৎপৰ হোৱাৰ সময়তে স্থানীয় কেইবাহাজাৰ থলগিৰীয়ে আতংকত দিন পাৰ কৰিছে। চৰকাৰে অধিগ্ৰহণ কৰিব খোজা বৃহৎ এলেকাত কাৰ্বি, নগা আৰু আদবাসী লোকে বসবাস কৰি থকাৰ লগতে মুকলি পথাৰত বাঁহ, কলগছ, ৰবি শস্য, চিত্ৰনলাৰ খেতি কৰি জীৱন নিৰ্বাহ কৰি আহিছে কেইবা হাজাৰ থলগিৰীয়ে। দুশ বছৰৰ পূৰ্বৰ পৰা ঘৰ বান্ধি বসতি কৰি থকা লোকসকলৰ ঘৰ-দুৱাৰ উচ্ছেদ কৰাৰ লগতে জীৱন-জীৱিকাৰ একমাত্ৰ সম্বল খেতি পথাৰ কাঢ়ি ল'ব খুজিছে চৰকাৰে। যাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। ইয়াৰ মাজতে এছিয়ান ডেভলপমেন্ট বেংকৰ পৰা অহা এই খবৰে এতিয়া অঞ্চলটোৰ প্ৰতিবাদী ৰাইজক সকাহ প্ৰদান কৰিছে। অৱশ্যে বেংকটোৱে ঋণ প্ৰদানৰ সিদ্ধান্ত বাতিল কৰিলে উক্ত প্ৰকল্প বৰ্তমান ৰূপায়ণ কৰাতো সম্ভৱ নহ'ব বুলি অনুমান কৰা হৈছে যদিও চৰকাৰে প্ৰতিবাদত সেও মানি নে আন কাৰণতহে পত্ৰ প্ৰেৰণ কৰিছিল সেয়া জানিব পৰা হোৱা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এছআইটিৰ ভূমিকাত ক্ষুণ্ণ ৰিপুণ বৰা

নিৰ্দেশত গঠিত এছআইটিয়ে বিজেপিৰ মুখপাত্ৰ ৰূপে কাম কৰিছে। আজি এই অভিযোগ উত্থাপন কৰিছে প্ৰাক্তন সাংসদ ৰিপুন বৰাই। আজি অসম কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰিপুন বৰাই এছআইটিৰ তদন্ত সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে বিশেষ তদন্তকাৰী গোটে তথ্য আদালতৰ আগত প্ৰকাশ কৰা উচিত, সংবাদমাধ্যমৰ আগত নহয়। এছআইটিয়ে বিজেপিৰ মুখপাত্ৰ হিচাপে কাম কৰিছে। ক্ষমা খোজা প্ৰসংগক লৈ বৰাই কয়, "এছআইটিক লৈ কৰা মন্তব্যৰ বাবেহে ক্ষমা খুজিছিলো। সেয়া স্পষ্টকৈ জেৰাত কৈছিলো। ক্ষমা কেৱল এছআইটি সন্দৰ্ভত প্ৰয়োগ কৰা বিশেষ শব্দসমূহৰ বাবেহে খোজা হৈছে। কিন্তু সেই কথাটো বিষয়াগৰাকীয়ে ভুলকৈ সংবাদ মাধ্যমৰ আগত উপস্থাপন কৰিছে। এয়া উচিত নহয়।" তেওঁ স্বীকাৰ কৰে যে এছআইটিৰ বিবৃতিত ডেমেজ কণ্ট্ৰোলৰ প্ৰচেষ্টা বুলি কোৱাটো ঠিক, কিয়নো যোৱা দুহ ধৰি এছআইটিয়ে আমাৰ নেতাৰ ভাৱমূৰ্তি বেয়া কৰাৰ চেষ্টা চলাই আহিছে। উল্লেখ্য যে, ৰিপুন বৰাক বৃহস্পতিবাৰে জেৰা কৰা হৈছিল। পুনৰ জেৰা কৰাৰো সম্ভাৱনা আছে। জেৰাৰ পিছতে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ আৰক্ষী অধীক্ষক ৰ'জি কলিতাই জেৰা সম্পৰ্কে মিডিয়াত মন্তব্য দিছিল। ৰ'জি কলিতাই গোচৰৰ নেতৃত্ব দি আছে। সেই দিনাই প্ৰায় চাৰিঘণ্টাৰো অধিক সময় ধৰি জেৰাৰ সন্মুখীন হোৱা ৰিপুন বৰাই সংবাদমাধ্যমক কৈছিল যে তেওঁলোকে যি প্ৰশ্ন কৰিছে, মই সকলোৰে উত্তৰ দিছো। তেওঁলোকে প্ৰধানকৈ মোৰ সংবাদমেল আৰু সাংসদ গগৈক লৈ মই যি কৈছিলো তাৰ বিষয়ে সুধিছে। বিশেষকৈ পাকিস্তান ভ্ৰমণ বিধি সন্মতভাৱে কৰিছিল বুলি কোৱাক লৈ সুধিছিল। ৰিপুন বৰাই অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈৰ বিৰুদ্ধে তথাকথিত প্ৰমাণ হিচাপে শ্বেয়াৰ কৰা ফটো বিকৃত কৰাৰো অভিযোগ আনে। যুদ্ধ চলি থকা সময়ত মুখ্যমন্ত্ৰীৰ পাকিস্তানৰ সৈতে থকা সন্দেহজনক সংযোগৰ বিষয়ে প্ৰশ্ন তোলে। বিজেপি বিধায়ক দিগন্ত কলিতাৰ ভূমিকা সন্দৰ্ভতো উদ্বেগ প্ৰকাশ কৰে। কিয়নো দিগন্ত কলিতাই গগৈৰ কথিত পাকিস্তান ভ্ৰমণৰ ১৫ দিনীয়া সূচী সামাজিক মাধ্যমত শ্বেয়াৰ কৰিছিল। কিন্তু পিছত ডিলিট কৰে। ৰিপুন বৰাই কৈছিল যে দিগন্ত কলিতা সেই সময়ত কংগ্ৰেছত আছিল আৰু গৌৰৱ গগৈৰ বন্ধু আছিল। গগৈৰ সৈতে দিগন্ত কলিতাই পাকিস্তান যাব পাৰে। সেয়ে তেওঁকো তদন্তৰ আওতালৈ অনা উচিত।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চৌদিশে পানী, পানী... জলবন্দী

বাহিনী আৰু ভৰলু নৈৰ পানী বিপদসীমাৰ ওপৰেৰে বৈছে। গুৱাহাটীৰ চৌদিশে এতিয়া কেৱল পানী পানী আৰু পানী। কৃত্ৰিম বানে ধুই নিছে মহানগৰীক। কৃত্ৰিম বানত চাৰিওফালে অবৰ্ণনীয় পৰিস্থিতি। একঁকাল পৰ্যন্ত পানীত ডুবি জীৱন যুদ্ধ মহানগৰীৰবাসীৰ। সকলো ৰাস্তা-ঘাটত স্তব্ধ যাতায়াত। জনজীৱনো হৈ পৰিছে স্তব্ধ। ৰাজধানীত মানুহে যাতায়তৰ বাবে ব্যৱহাৰ কৰিছে এছডিআৰএফৰ নাও। কেইবাহাজাৰ পৰিয়ালৰ ঘৰৰ ভিতৰতো পানী সোমাইছে। কেবালাখ লোক জলবন্দী হৈ পৰিছে। খং-ক্ষোভৰ মাজত জলবন্দী জনতাই ক'বলৈ আৰম্ভ কৰিছে বানমুক্ত গুৱাহাটী আমি পাম কেতিয়া। চৰকাৰৰ ওপৰত সম্পূৰ্ণ ৰূপে আস্থাহীন হৈ পৰিছে জনতা। দুদিন ধৰি স্কুল-কলেজলৈ যাব পৰা নাই ল'ৰা-ছোৱালী। খোৱাপানীৰ অভাৱত মানুহে হাহাকাৰ কৰিছে। ঘণ্টা ঘণ্টা ধৰি ব্যাহত হৈ আছে বিদ্যুৎ সেৱা। মানুহৰ এতিয়া মমবাতীয়ে শেষ ভৰষা। শিশুৰ খাদ্যৰ অভাৱ দেখা গৈছে। গাখীৰৰ নাটনি পৰ্যন্ত হৈছে। গুৱাহাটী এতিয়া আভিজাত্য তথা সম্ভ্ৰান্তৰ মহানগৰ হৈ থকা নাই। গেলা পানী, বোকা, জাঁৱৰে ভৰি থকা এখন কদৰ্য্যময় মহাসাগৰত পৰিণত হৈছে। বিজেপি দলে গুৱাহাটী মহানগৰীক বানমুক্ত কৰাৰ প্ৰতিশ্ৰুতি দি শাসনলৈ আহিছিল যদিও বানমুক্ত কৰাৰ দূৰৰ কথা বিজেপিৰ দিনত এতিয়া ন-ন অঞ্চল ডুবিব ধৰিছে। আগতে কেতিয়াও পানী নোহোৱা ঠাইত এককাল পৰ্যন্ত পানী হৈছে। জালুকবাৰী-খানাপাৰা ঘাইপথ পানীৰে ভৰি পৰিছে। ঘাইপথত গাড়ী-মটৰ চলাচল বন্ধ হৈছে। অনিল নগৰ, নবীন নগৰৰ দৰেই ৰুক্মিণীগাঁওবাসী এতিয়া ককবকাবলগীয়া হৈছে। যোৱাবাটত মানুহে খোজকাঢ়ি আহ-যাহ কৰাটো দূৰৰে কথা, ডাঙৰ গাড়ী লৈয়ো পাৰ হ'ব নোৱৰা পৰিৱেশৰ সৃষ্টি হৈছে। বশিষ্ঠ মন্দিৰ এলেকাত পানীৰ ঢল ববলৈ আৰম্ভ কৰিছে। মুঠতে বিগত চাৰি-পাঁচটা বছৰৰ ভিতৰত গুৱাহাটীত এনে এটুকুৰা ঠাই নাই য'ত আজিৰ তাৰিখত পানী উঠা নাই। গুৱাহাটীক স্মাৰ্ট চিটী কৰাৰ কথা আছিল। প্ৰতিশ্ৰুতি আছিল স্মাৰ্ট চিটী বানমুক্ত হ'ব। কিন্তু স্মাৰ্ট চিটীৰ নামত শ শ কোটি টকা ব্যয় হ'ল যদিও গুৱাহাটীৰ বান যেনে আৰু তেনে হৈয়ে থাকিল। নলা-নৰ্দমাৰ পৰিস্কাৰ কৰিবলৈ অনা হ'ল চুপাৰ ছাকাৰ। কিন্তু চুপাৰ ছাকাৰে কাম নিদিলে। আজি এজাক বৰষুণত বানত উটি যায় গুৱাহাটীৰ আভিজাত্য। ভয়াৱহ কৃত্ৰিম বানৰ মাজতে চানমাৰিত উন্মুক্ত নলাত সোমাই কেনেবাকৈ প্ৰাণ ৰক্ষা পৰে এগৰাকী ছাত্ৰীৰ। পানীৰ মাজেৰে খোজকাঢ়ি গৈ থকাৰ সময়তে উন্মুক্ত নলাত সোমাইছিল ছাত্ৰীগৰাকী। একাংশ লোকে ছাত্ৰীগৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল সম্বোধন কৰি পুনৰ গুৱাহাটীৰ বানৰ বাবে মেঘালয়ক দোষাৰোপ কৰে। মেঘালয়ত প্ৰবল বৰষুণ হোৱাৰ ফলত গুৱাহাটীত পৰিস্থিতি অধিক ভয়াৱহ হৈছে বুলি কয় মুখ্যমন্ত্ৰীয়ে। কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ব্যক্তিগতসহ সকলো শিক্ষানুষ্ঠান বন্ধ কৰাৰ ঘোষণা কৰে। ইপিনে কাইলৈ সমগ্ৰ ৰাজ্যতে চৰকাৰী কৰ্মচাৰীৰ বাবে কেজুৱেল ছুটী ঘোষণা কৰিছে চৰকাৰে। কৃত্ৰিম বানৰ বাবে সৃষ্টি হোৱা জটিল পৰিস্থিতিৰ বাবে কামৰূপ আৰু কামৰূপ মহামগৰৰ কৰ্মচাৰীসকলকো ছুটী দিয়া হৈছে। ঘৰৰ কাষতে বা কোৱাৰ্টাৰৰ কাষতে অফিচ থাকিলে অফিচলৈ আহিব, নহ'লে আহিব নালাগে। ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহকো কাইলৈৰ দিনটোত দূৰৰ পৰা অহা কৰ্মচাৰীসকলৰ ক্ষেত্ৰত ৰেহাই দিবলৈ কোৱা হৈছে। লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে গুৱাহাটীত কৃত্ৰিম বানৰ বাবে ১০০ টা বৈদ্যুতিক ট্ৰান্সফৰ্মাৰ বন্ধ ৰখা হৈছে। ৰাজ্যজুৰি ৯ লাখ লোকৰ বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰা হৈছে। আজি আৰু কাইলৈ পৰিস্থিতি অপৰিৱৰ্তিত হৈ থাকিব। কাইলৈ বিয়লিৰ পৰাহে পৰিস্থিতি সুস্থিৰ হোৱাৰ আশা। গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাইয়ো গুৱাহাটীৰ বানৰ বাবে ইউএছটিএম আৰু মেঘালয়ৰ পাহাৰক দোষাৰোপ কৰে। গুৱাহাটীৰ বান পৰিস্থিতিক লৈ তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয় যে আপোনালোকে জুৰিপাৰত গৈ চাওক গোটেই গোবৰ পানী। মেঘালয়ৰ পাহাৰত গৰুৰ খুটি আছে। তাৰ পৰা পানীৰ সৈতে গোবৰ আহে। গুৱাহাটীৰ বান নিয়ন্ত্ৰণৰ বাবে গুৱাহাটীবাসীৰো সহায় বিচাৰিলে মন্ত্ৰী বৰুৱাই। লগতে মন্ত্ৰীগৰাকীয়ে এতিয়া আগতকৈ সোনকালে পানী হ্ৰাস পোৱা বুলি কয়। উল্লেখ্য যে গুৱাহাটী উন্নয়নৰ দায়িত্ব নতুনকৈ লাভ কৰা মন্ত্ৰীগৰাকীৰ এনে ভাষ্যৰ বিপৰীতে অনিলনগৰ, নবীননগৰ, চানমাৰিৰ মণিৰাম দেৱান পথ, সিজুবাৰী, ডাউন-টাউন, ছয়মাইল, যোৱাবাট, গীতানগৰ, পাঞ্জাবাৰী, সাতগাঁও, ৰুক্মিণীগাঁও, সিজুবাৰী, লেম্ব ৰোড, পূৱ শৰণীয়া, শিলপুখুৰী, বামুনীমৈদাম, আমবাৰীকে আদি কৰি প্ৰায় প্ৰতিখন ঠাই ভয়ংকৰ কৃত্ৰিম বানৰ কবলত পৰে। আজি আবেলি পৰ্যন্ত গুৱাহাটী মহানগৰীৰ অৱস্থা অবৰ্ণনীয় হৈয়ে থাকে। ঠায়ে ঠায়ে নলা নিৰ্মাণৰ বাবে গাত খান্দি থোৱাত মহানগৰীখন একপ্ৰকাৰ মৰণফান্দ পৰিণত হৈছে। নলাসমূহৰ নিৰ্মাণকাৰ্য চলি থকাত শিল-বালি আদি পথৰ দাঁতিত দমাই থোৱাৰ লগতে ঠায়ে ঠায়ে ৰড ওলাই থকাত পৰিস্থিতি ভয়াৱহ হৈ পৰাৰ কথাও স্থানীয় লোকসকলে জানিবলৈ দিছে। এনেদৰে এতিয়া অবৰ্ণনীয় হৈ পৰিছে মহানগৰীৰ পৰিৱেশ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰষুণ বিভীষিকা! মহানগৰীত কাঢ়িলে

গুৱাহাটী মহানগৰীৰ পৰিৱেশ অবৰ্ণনীয় হৈ পৰাৰ লগতে উজনি অসম আৰু মধ্য অসমত বৰষুণৰ লগতে ধুমহাইয়ো ভয়াৱহ ৰূপ ধাৰণ কৰে। প্ৰচণ্ড ধুমহাৰ ফলত ডিব্ৰুগড় জিলাৰ চাবুৱাত এজন আৰু নগাঁও জিলাৰ কলিয়াবৰত আন এজন লোক নিহত হোৱাৰ খবৰ পোৱা গৈছে। চাবুৱাত ধুমুহাৰ ফলত এখন যাত্ৰীবাহী অটোত এজোপা প্ৰকাণ্ড গছ বাগৰি পৰাত চালকসহ অটোখনত অহা তিনিগৰাকী মহিলা যাত্ৰী আহত হয়। পিছত চিকিৎসালয়লৈ নিয়াৰ পথত এগৰাকী যাত্ৰীৰ মৃত্যু ঘটে। আনহাতে কলিয়াবৰত ধুমুহাত নিজ গৃহৰ চোতালত থিয় হৈ থকা এজন লোকৰ ওপৰত গছ বাগৰি পৰাত লোকজনৰ থিতাতে মৃত্যু ঘটে। নিহত লোকজন হৈছে জীৱন বিশ্বাস। ইফালে, মহানগৰীত ভূমিস্খলনৰ ফলত ৪জনকৈ লোকে প্ৰাণ হেৰুৱাইছে। মহানগৰীৰ বোন্দাৰ চপাইদঙত ভয়ংকৰ ভূমিস্খলনত মাতৃ-কন্যা আৰু আন এটি শিশুৰ কৰুণ মৃত্যু হয়। নীলাক্ষি গোস্বামী (৪) আৰু ৰঞ্জিতা বড়ো (৫) নামৰ দুই শিশুৱে খেলি থকা অৱস্থাতে সংঘটিত হয় ভূমিস্খলনৰ ঘটনা। ফলত, মাটিৰ হেঁচা পৰি কৰুণ মৃত্যুক সাবতি লয় দুই শিশুৱে। শিশু দুটিক বচাবলৈ আহোত নীলাক্ষি গোস্বামীৰ মাতৃ পুনম গোস্বামী (৩৫)ৰো মৃত্যু ঘটে। আনহাতে গুৱাহাটীৰ দাতালপাৰাতো দীপজ্যোতি বড়ো নামৰ এজন কিশোৰে ভূমিস্খলনত প্ৰাণ হেৰুৱায়। ইফালে, মহানগৰীৰ খানাপাৰা, যোৱাবাট আদি অঞ্চলৰ লগতে আন একাধিক ন-ন অঞ্চলত কৃত্ৰিম বানে ভয়াৱহ ৰূপ ধাৰণ কৰা দেখা গৈছে। চৰকাৰ প্ৰশাসনৰ দায়িত্বহীনতাৰ বাবেই এনে দৃশ্য এতিয়া সুলভ হৈ পৰিছে। বিপৰীতে চৰকাৰ-প্ৰশাসনে কেৱল মেঘালয়ৰ পাহাৰ কাটি কৰা নিৰ্মাণকে দোষাৰোপ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। বতৰ বিজ্ঞানৰ সূত্ৰই সদৰী কৰা মতে অহা আৰু ৩-৪ দিন ধৰি গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে মুষলধাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত ৪০-৫০ কিলোমিটাৰ বেগত ঠায়ে ঠায়ে ধুমহা অহাৰো সম্ভাৱনা ব্যক্ত কৰিছে বতৰ বিজ্ঞান বিভাগে। ইফালে, গোৱালপাৰাৰ পৰা পোৱা খবৰ অনুযায়ী যিকোনো মুহূৰ্ততে জিলাখনৰ সৈতে গুৱাহাটীৰে যোগাযোগ বিচ্ছিন্ন হৈ যোৱাৰ আশংকা অধিক ঘনীভূত হৈ পৰিছে। মেঘালয়ত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত কলহী নদীৰ প্ৰবল সোঁতৰ বাবে ১৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ছয়গাঁৱত থকা কংক্ৰীট দলংখনৰ দুয়োফালে খহাই নিয়াৰ উপক্ৰম ঘটিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# বিদেশীৰ নামত প্ৰকৃত ভাৰতীয়ৰ ওপৰত হাৰাশাস্তি বন্ধৰ দাবী চি পি আই (এম)ৰ

**ই-সংবাদ কলগাছিয়া, ৩০ মে':** অসমত অবৈধ বিদেশী নাগৰিক ধৰাৰ নামত প্ৰকৃত ভাৰতীয় নাগৰিকৰ ওপৰত অমানৱীয় জোৰ-জুলুম আৰু হাৰাশাস্তি বন্ধ কৰাৰ দাবীত বৃহস্পতিবাৰে চি পি আই (এম) ৰূপসী লোকেল কমিটিৰ উদ্যোগত খৰিচালা চাৰিআলি আৰু বজাৰত দুখনকৈ পথসভা অনুষ্ঠিত কৰে। পথসভাৰ জৰিয়তে ৰাইজক সজাগ কৰাৰ লগতে কোনেও যাতে সাম্প্ৰদায়িক উত্তেজনা বিয়পাই নিদিয়ে তাৰ বাবে ৰাইজক আহ্বান জনায়। পথসভা দুখনত ভাষণ প্ৰদান কৰে দলটোৰ প্ৰবীণ নেতা তথা বৰপেটা জিলা সম্পাদকমণ্ডলীৰ প্ৰাক্তন সদস্য আব্দুল আজিজ, জিলা সদস্য চানমামুদ আহমেদ আৰু ৰূপসী লোকেল কমিটিৰ সম্পাদক ৰুস্তম আলীয়ে। ভাষণ প্ৰসংগত বক্তাসকলে কয় যে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে অবৈধ বাংলাদেশী নাগৰিকক ৩০ দিনৰ ভিতৰত চিনাক্ত কৰিবলৈ প্ৰদান কৰা নিৰ্দেশৰ পাছতে যোৱা চাৰিদিন ধৰি ৰাজ্যখনৰ লগতে বৰপেটা জিলাতো অবৈধ বিদেশী নাগৰিকক ধৰাৰ নামত আৰক্ষীৰ জোৰ-জুলুম আৰু হাৰাশাস্তি আৰম্ভ হৈছে। বাংলাদেশী ধৰাৰ নামত প্ৰকৃত ভাৰতীয় নাগৰিকৰ ওপৰত অসম আৰক্ষী আৰু সীমান্ত আৰক্ষীয়ে অমানৱীয় অভিযান চলাই আছে বুলি অভিযোগ উত্থাপন কৰি চি পি আই (এম) দলে বিজেপি চৰকাৰৰ গৃহ বিভাগক তীব্ৰ সমালোচনা আৰু গৰিহণা দিছে। উল্লেখ্য যে যোৱা ২৪ মে'ৰ নিশাৰপৰাই আৰক্ষীয়ে সাম্প্ৰদায়িক দৃষ্টিভংগীৰে অভিযান চলাই আছে বুলি অভিযোগ উত্থাপন কৰাৰ লগতে এই অভিযান সংবিধানবিৰোধী বুলি মন্তব্য কৰে। তদুপৰি ভাষণত তেওঁলোকে কয়- সংবিধানবিৰোধী আৰু সাম্প্ৰদায়িক 'কা' আইন প্ৰণয়ন আৰু বলৱৎ হোৱাৰ পাছত 'বিদেশী ধৰা' এই অভিযানৰ জৰিয়তে ৰাজ্যৰ প্ৰশাসন তথা অসম আৰক্ষীৰ অমানৱীয় আচৰণৰ মুখ্যতঃ বলি হৈছে ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকল। প্ৰচলিত আইনী প্ৰক্ৰিয়াৰে ১৯৭১ চনৰ ২৪ মাৰ্চৰ পাছত অসমলৈ আহি অবৈধভাৱে বসবাস কৰি থকাসকলক চিনাক্ত কৰি বহিষ্কাৰ কৰাৰ ক্ষেত্ৰত কাৰো আপত্তি নাথাকে বা থাকিব নোৱাৰে। কিন্তু ৰাজ্য চৰকাৰ তথা আৰক্ষীয়ে আইনী প্ৰক্ৰিয়াক সম্পূৰ্ণ ভেঙুচালি কৰি কেৱল সন্দেহৰ ভিত্তিত নাগৰিকক আটক কৰি বিভিন্ন প্ৰকাৰে হাৰাশাস্তি কৰিছে। ভাষণ প্ৰসংগত এইদৰে মন্তব্য কৰে চি পি আই এমৰ নেতাসকলে। আনকি ১৯২৩ চনতে অৰ্থাৎ ব্ৰিটিছ যুগতে মাটিৰ পট্টা লাভ কৰা ভাৰতীয় নাগৰিককো আৰক্ষীয়ে কেৱল সন্দেহৰ বশৱৰ্তী হৈ আটক কৰাৰ বাতৰি প্ৰকাশ পাইছে বুলিও কয় তেওঁলোকে। আনহাতে ন্যায়াধীকৰণৰ বিচাৰ প্ৰক্ৰিয়াত বহু আসোঁৱাহ আছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে চি পি আই এমে। ৰাজ্যত শতাধিক আৰু বৰপেটা জিলাত একাধিক বিদেশী ন্যায়াধীকৰণ আছে যদিও কোনো ন্যায়াধীকৰণত বিচাৰ নকৰাকৈয়ে বহু লোকক অনাহকতে আটক কৰা হৈছে। আনকি তথাকথিত সন্দেহযুক্ত নাগৰিকসকলক নিশাৰ ভাগত গ্ৰেপ্তাৰৰ কোনো নিৰ্দেশনামা পৰিয়ালক নিদিয়াকৈ গ্ৰেপ্তাৰ কৰি হেণ্ডকাফ লগাই ঘৰৰ পৰা লৈ যায়। আনকি পৰৱৰ্তী সময়ত পৰিয়ালৰ লোকক সন্ধান দিবলৈ বা সাক্ষাৎ কৰিবলৈ নিদিয়ে বুলি অভিযোগ উত্থাপন কৰি এয়া সম্পূৰ্ণ মানৱাধিকাৰ বিৰোধী, আইনবিৰোধী আৰু সংবিধানবিৰোধী কাৰ্য বুলি অভিহিত কৰে। আনকি উচ্চ আৰু উচ্চতম ন্যায়ালয়ত জামিন পোৱা আৰু নিয়মীয়াকৈ আৰক্ষী চকীত হাজিৰা দি থকা ব্যক্তিকো কৰায়ত্ত কৰি লৈ গৈছে আৰক্ষীয়ে। এইক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ সাম্প্ৰতিক ৰায়কো উলংঘা কৰা হৈছে বুলি ভাষণত কয়। বহু অভিযুক্ত ব্যক্তিৰ ক্ষেত্ৰত বিদেশী ন্যায়াধীকৰণে পুৰুষানুক্ৰমে বসবাস কৰি থকা লোককো তথ্য-পাতিৰ বিভ্ৰান্তিৰ অভিযোগ তুলি পুনৰ বিবেচনা কৰাৰ সুযোগ নিদি অন্যায়ভাৱে বিদেশী ঘোষণা কৰা হৈছে বুলি কোৱাৰ লগতে তথ্য বিভ্ৰাট থকা লোকৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা সমাধানৰ বাবে ডি, এন, এ, টেষ্ট কৰিবলৈ দাবী জনায় চি পি আই এমে। আনহাতে, ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত আৰু নিৰীক্ষণত উন্নীতকৰণ কৰা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) খনকো আজিকোপতি সূচিত কৰি বৈধতা প্ৰদান নকৰাত ক্ষোভ প্ৰকাশ কৰে। এনেক্ষেত্ৰত এন আৰ চিত নাম থকা লোক আৰু 'ডি' ভোটাৰসকলকো আটক কৰা হৈছে বুলি কয়। তদুপৰি 'ডি' ভোটাৰসকলক জধে-মধে আটক কৰি গোৱালপাৰাৰ 'ডিটেনছন চেন্টাৰ'ত অন্যায়ভাৱে আৰু এক কদৰ্যময় পৰিৱেশত আৱদ্ধ কৰি ৰখাটো এক নজিৰবিহীন অমানৱীয় কাণ্ড বুলি কয়। ইপিনে, কেন্দ্ৰীয় চৰকাৰে বিদেশী চিনাক্ত আৰু বহিষ্কাৰৰ বিষয়ে উচ্চ বাচ্য কৰি থাকিলেও এতিয়ালৈকে বাংলাদেশ চৰকাৰৰ সৈতে কোনো চুক্তি সম্পাদন কৰিব নোৱৰাৰ ফলত বাংলাদেশী বুলি প্ৰমাণিতসকলকো সেই দেশলৈ ওভতাই পঠাব নোৱাৰাৰ ফলত সম্প্ৰতি চৰকাৰখনে এক নাটকীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে বুলি উল্লেখ কৰে। সেয়ে চি পি আই (এম) দলে কেৱল সন্দেহৰ ভিত্তিত নাগৰিকক আটক কৰি হাৰাশাস্তি কৰা আৰু ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ মাজত এক ত্ৰাসৰ পৰিৱেশ সৃষ্টি কৰাৰ বাবে তীব্ৰ প্ৰতিবাদ কৰিছে। লগতে চি পি আই এম দলে শুদ্ধ আৰু নিৰপেক্ষ আইনী প্ৰক্ৰিয়াৰ জৰিয়তে বিদেশী চিনাক্তকৰণ সম্পন্ন কৰি আন দেশৰ নাগৰিক বুলি প্ৰমাণিত হ'লে সেই দেশৰ চৰকাৰৰ লগত আলোচনা কৰি বহিষ্কাৰ কৰিবলৈ দাবী উত্থাপন কৰিছে।

# শৃংখল চলিহাক বিজেপিৰ দালাল আখ্যা

## ধুবুৰীৰ মানুহ খিলঞ্জীয়া নহয় বুলি কৰা উপহাসক লৈ ক্ষুব্ধ আক্ৰাছু, গোলকগঞ্জ থানাত এজাহাৰ দাখিল

**ই-সংবাদ, গোলকগঞ্জ, ৩০ মে':** কালি এটা প'ডকাষ্টত বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই ধুবুৰীৰ মানুহ খিলঞ্জীয়া নহয় বুলি কৰা উপহাসক লৈ ক্ষুণ্ণ হৈ পৰিছে ধুবুৰী জিলা আক্ৰাছুকে ধৰি বিভিন্ন দল-সংগঠন। অবিভক্ত গোৱালপাৰা জিলা আক্ৰাছুৰ ধুবুৰী জিলা সমিতিৰ কাৰ্যকৰী সভাপতি চন্দন ৰায়ে কয় যে শৃংখল চলিহাৰ সাধাৰণ জ্ঞানেই নাই। আমি তেওঁৰ প্ৰত্যুত্তৰ দিব বিচৰা নাছিলো। ঐতিহ্যপূৰ্ণ কোচ-ৰাজবংশী জনগোষ্ঠীক লৈ যাতে সাধাৰণ লোক বিভ্ৰান্ত নহয় তাৰ বাবে স্পষ্ট কৰি দিব বিচাৰিছো। তেওঁ কয়- নামনি অসমৰ কামতাপুৰ ৰাজ্য আৰু কোচৰাজবংশী জনগোষ্ঠী ইতিহাস প্ৰসিদ্ধ সৰ্বজনবিদিত। কোচৰাজবংশী অধ্যুষিত ধুবুৰীত যদি খিলঞ্জীয়া নাথাকে কত থাকিব বুলি প্ৰশ্ন কৰে। সীমিত জ্ঞান লৈ প্ৰলাপ বকা বন্ধ কৰিবলৈ সকীয়াই দিয়ে। চন্দনে কয় যে ধুবুৰীৰ চৰাঞ্চলত বাংলাদেশী থকাটো অস্বীকাৰ কৰিব নোৱাৰি। বিভিন্ন সময়ত চৰকাৰী পক্ষৰ সৰলতাৰ সুযোগ গ্ৰহণ কৰি বহু বাংলাদেশী অকল ধুবুৰীতে নহয় সমগ্ৰ দেশতে সোমাই পৰিছে। অতি শেহতীয়াকৈ চৰকাৰে বাংলাদেশীৰ বিৰুদ্ধে এটা প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে চৰকাৰৰ এনে পদক্ষেপক আদৰণি জনাইছে। আনহাতে, ধুবুৰীত জনজাতিকৰণ কৰিলে বঙালী আৰু মিঞাক জনজাতিকৰণ কৰিব বুলি কৰা মন্তব্যৰ বিৰোধ কৰি কয় কোচৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ বাবে ১৯৯০ চনৰ পৰাই দাবী জনাই আহিছে। আনহাতে কোচ-ৰাজবংশী সন্মিলনীয়ে ১৯৬৭ চনৰে পৰা দাবী কৰি আহিছে। ইমানদিনে কোচৰাজবংশীৰ ন্যায্য দাবী জনজাতিকৰণ কৰিলে আজিৰ এনে মুখ চুপতি শুনিব লগা নহলহেঁতেন। অতিশীঘ্ৰে কোচৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ দাবী জনায়। ইপিনে ধুবুৰী সন্দৰ্ভত এনে বিতৰ্কিত মন্তব্য কৰাৰ বিৰুদ্ধে কেপিপিৰ নেতা নিখিল ৰায়ে শৃংখল চলিহাক বিজেপিৰ দালাল আখ্যা দিয়াৰ লগতে গোলকগঞ্জ থানাত তেওঁৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে।

# ৰাজ্যৰ ৰাজপথত মৃত্যুৰ কিৰিলী, গৌৰৱ গগৈক লৈ ব্যস্ত মুখ্যমন্ত্ৰী-চৰকাৰ

**সমস্যাজৰ্জৰ ৰাজ্যখনত প্ৰতিদিনাই পথ দুৰ্ঘটনাত একাধিক লোকে প্ৰাণ হেৰুৱাই আহিছে। প্ৰতিটো সংবাদ প্ৰতিষ্ঠানে প্ৰতিদিনে ৰাজপথৰ এই দুৰ্ঘটনাসমূহক লৈ বাতৰি পৰিৱেশন কৰি আহিছে যদিও এই বাতৰিত চকু দিবলৈ আহৰি নাই মুখ্যমন্ত্ৰী, বিভাগীয় মন্ত্ৰীকে ধৰি চৰকাৰখনৰ। ইয়াৰ বিপৰীতে সম্প্ৰতি চৰকাৰ ব্যস্ত হৈ পৰিছে গৌৰৱ গগৈ আৰু আন মুখৰোচক কথাক লৈ। শুকুৰবাৰৰ দিনটোতো ৰাজ্যৰ বিভিন্ন স্থানত সংঘটিত হৈছে কেবাটাও পথ দুৰ্ঘটনা প্ৰাণ হেৰুৱাইছে একাধিকে। তলত তাৰে কেইটামান বাতৰি—**

## বৰপেটাৰোডৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত ভয়ংকৰ দুৰ্ঘটনাত থিতাতে নিহত যুৱক

**ই-সংবাদ, বৰপেটাৰোড, ৩০ মে':** বৰপেটাৰোডত ঘাটকৰূপী ডাম্পাৰৰ দৌৰাত্ম্যৰ ফলত আতংকিত হৈ পৰিছে সৰ্বসাধাৰণ লোক। প্ৰায়ে ঘাটকৰূপী ডাম্পাৰে সংঘটিত কৰা দুৰ্ঘটনাৰ ফলত কাঢ়ি লৈ গৈছে বহু পৰিয়ালৰ সদস্য।তাৰপিছতো কিন্তু আৰক্ষী-প্ৰশাসনৰ নীৰৱ ভূমিকাৰ বাবে সাধাৰণ ৰাইজ চিন্তিত হৈ পৰিছে। যোৱানিশা বৰপেটাৰোডৰ সমীপৰ শিমলাগুৰি আউটপোষ্টৰ সন্মুখতেই পুনৰ তেনে এক ঘটনা সংঘটিত হয়। নিশা আঠমান বজাত বৰপেটাৰোডৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এই ভয়ংকৰ দুৰ্ঘটনাটো। ঘটনা অনুসৰি, হাউলী বেন্নীবাৰীৰ ২২ বছৰীয়া যুৱক ৰফিকুল ইছলামে সন্ধিয়া মোমায়েকৰ নতুন বাইক লৈ বৰপেটাৰোডলৈ গৈছিল। বজাৰ কৰি নিশা মোমায়েকৰ AS 15 AD 3569 নম্বৰৰ পালচাৰ বাইকেৰে বৰপেটাৰোডৰপৰা নিশা ঘৰ অভিমুখে উভতাৰ পথততেই তীব্ৰবেগী ডাম্পাৰ এখনে খুন্দিয়াই ঘটনাস্থলীৰপৰা পলায়ন কৰে। ডাম্পাৰৰ খুন্দাত থিতাতে নিহত হাউলী বেন্নীবাৰীৰ ৰফিকুল ইছলাম (২১) নামৰ যুৱকজন। আৰক্ষীয়ে এতিয়াও ডাম্পাৰখন জব্দ কৰিবলৈ সক্ষম হোৱা নাই। জানিব পৰা অনুসৰি মৃত যুৱক গৰাকীয়ে ছমাহ পূৰ্বে বিবাহপাশত আৱদ্ধ হৈছিল। যুৱকগৰাকীৰ মৃত্যুৰ বাতৰিয়ে অঞ্চলটোত এক শোককুল পৰিৱেশৰ সৃষ্টি কৰে।

## ঢেকীয়াজুলি-ওদালগুৰি সংযোগী পথত পুনৰ ভয়াৱহ পথ দুৰ্ঘটনা

**ই-সংবাদ, ঢেকীয়াজুলি, ৩০ মে':** ঢেকীয়াজুলিৰ শিঙৰি আৰক্ষী চকীৰ অন্তৰ্গত কালিস্থানত আজি পুৱা প্ৰায় ৭.৩০ বজাত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। স্থানীয় সূত্ৰৰ পৰা জানিব পৰা মতে, দুখন মালবাহী ট্ৰাকে তীব্ৰ গতিত এটা টাৰ্নিং পাৰ হ'বলৈ গৈ পথৰ মাজত থকা ডিভাইডাৰত খুন্দা মাৰে। ইয়াৰ পিছত এখন ট্ৰাকে আনখন ট্ৰাকত প্ৰচণ্ডভাৱে খুন্দা মাৰে, যাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। এই ঘটনাই পুনৰ এবাৰ অসম মালা পথৰ সুৰক্ষাৰ প্ৰশ্ন উত্থাপন কৰিছে, যিটো পথ এতিয়া মৃত্যুৰ দুৱাৰদলি হিচাপে কুখ্যাত হৈ পৰিছে। বিগত এবছৰত এই অসম মালা পথত প্ৰতিদিনে গড়ে অন্ততঃ দুটা বা ততোধিক পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। স্থানীয় ৰাইজে এই পথৰ বেয়া অৱস্থা আৰু অত্যধিক গতিৰ বাবে হোৱা দুৰ্ঘটনাৰ বিষয়ে বাৰম্বাৰ চৰকাৰী বিষয়া, স্থানীয় বিধায়ক তথা মন্ত্ৰী অশোক সিংহলৰ ওচৰত লিখিত প্ৰতিবেদন দাখিল কৰিছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে, আজিলৈকে পথৰ পুনৰ্নিৰীক্ষণ বা গতি নিয়ন্ত্ৰণৰ কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই। ফলত এই পথত দুৰ্ঘটনাৰ সংখ্যা দিনকদিনে বাঢ়িহে গৈছে। স্থানীয় ৰাইজৰ মাজত এই বিষয়ে তীব্ৰ ক্ষোভ বিৰাজ কৰিছে। তেওঁলোকে অভিযোগ কৰিছে যে প্ৰশাসনৰ উদাসীনতাৰ বাবেই এই পথত প্ৰতিনিয়ত জীৱন হানিৰ ঘটনা ঘটি আহিছে। স্থানীয় সচেতন মহলে ক্ষোভ প্ৰকাশ কৰি কৈছে- - যদি আগন্তুক এমাহৰ ভিতৰত চৰকাৰে এই পথত ঠায়ে ঠায়ে গতিৰোধক স্থাপন কৰি সুৰক্ষাৰ ব্যৱস্থা নকৰে, তেন্তে আমি তীব্ৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ম। এই পথৰ নিৰাপত্তাৰ অভাৱে কেৱল স্থানীয় লোকৰ জীৱনকেই সংকটৰ মুখত থৈছে, স্থানীয় অৰ্থনীতিৰ ওপৰতো প্ৰভাৱ পেলাইছে। অসম মালা পথৰ এই সমস্যা সমাধানৰ বাবে চৰকাৰে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী তীব্ৰতৰ হৈ উঠিছে। জনসাধাৰণৰ জীৱনৰ সুৰক্ষাৰ স্বাৰ্থত প্ৰশাসনৰ পৰা দ্ৰুত আৰু ফলপ্ৰসূ পদক্ষেপৰ আশা কৰিছে স্থানীয় ৰাইজে।

## নগাঁৱত পথ দুৰ্ঘটনা, থিতাতে নিহত মটৰ চাইকেল আৰোহী

**ই-সংবাদ, বেবেজীয়া, ৩০ মে':** নেৰানেপেৰা বতাহ আৰু বৰষুণৰ মাজতে নগাঁও জিলাৰ উত্তৰ-পশ্চিম প্ৰান্তৰ ৰামপুৰ সত্ৰত বৃহস্পতিবাৰে নিশা সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন মটৰ চাইকেল আৰোহী নিহত হয়। প্ৰাপ্ত খবৰ মতে, বটদ্ৰৱা-ডুমডুমীয়া সংযোগী গড়কাপ্তানী পথৰ ৰামপুৰ সত্ৰত ডুমডুমীয়া অভিমুখে গৈ থকা এখন মটৰ চাইকেল নতুনকৈ নিৰ্মাণ কাৰ্য চলি থকা এটা কালভাৰ্টৰ দ' গাতত পৰি যোৱাত উক্ত দুৰ্ঘটনাটো সংঘটিত। ফলত থিতাতে নিহত হয় মটৰ চাইকেল আৰোহীজন। নিহত মটৰ চাইকেল আৰোহীজন ৰূপহী থানাৰ অন্তৰ্গত ফাঁকলি পথাৰৰ আবুল বাছাৰ (৩০) বুলি ইতিমধ্যে চিনাক্ত কৰা হৈছে। ইফালে, নিশাই দুৰ্ঘটনাৰ খবৰ পাই ঘটনাস্থলিত বটদ্ৰৱা আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি পিছত মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। আচলতে, পথটোৰ কালভাৰ্টটোৰ নিৰ্মাণকাৰ্য চলাই থকা প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰীয়ে চৰম দায়িত্বহীনতাৰ পৰিচয় দি পথৰ ওপৰত কোনো সাংকেতিক চিহ্ন নিদিয়াৰ বাবেই দুৰ্ঘটনাটো সংঘটিত হয় বুলি অভিযোগ উঠিছে।

## কলগাছিয়াত পথ দুৰ্ঘটনাত আহত ৰিক্সাচালক

**ই-সংবাদ, কলগাছিয়া, ৩০ মে':** বৰপেটা আৰু বঙাইগাঁও জিলাৰ সীমামূৰীয়া অঞ্চল মেৰেৰচৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰতাৰী ব্ৰীজপাৰ বজাৰত ২ নং বিকল্প ৰাজ্যিক ঘাইপথত এখন ই-ৰিক্সা ভয়ংকৰভাৱে দুৰ্ঘটনাগ্ৰস্ত হয়। দুৰ্ঘটনাত চালকজন গুৰুতৰভাৱে আহত। জানিব পৰা মতে, লেংটিছিঙাৰপৰা লাংলা সাপ্তাহিক বজাৰ অভিমুখে গৈ থকা অৱস্থাত AS 19 ER 4548 নম্বৰৰ ই-ৰিক্সাখনে নিয়ন্ত্ৰণ হেৰুৱাই ৰাস্তাৰ মাজত থকা দ' গাঁতত পৰি দুৰ্ঘটনাগ্ৰস্ত হয়। ফলত কথমপি প্ৰাণৰক্ষা পৰে চালক আৰু কেইবাজনো যাত্ৰীৰ। উল্লেখযোগ্য যে গুৱাহাটীৰ আমিনগাঁৱৰপৰা বৰপেটা-জনীয়া আৰু বৰটাৰী হৈ অভয়াপুৰী লৈ যোৱা ২ নং বিকল্প ৰাজ্যিক ঘাইপথৰ বৰটাৰী বজাৰৰ কাষত ৰাস্তা ভাঙি দ' গাঁতৰ সৃষ্টি হৈছে। ফলত এজাক বৰষুণ আহিলেই ৰাস্তাৰ মাজত পানী জমা হৈ যাতায়াতৰ ক্ষেত্ৰত চৰম অসুবিধাৰ সৃষ্টি হয়।

# ডিব্ৰুগড় জিলাত জিলা জৰুৰীকালীন কক্ষৰ ম'বাইল নম্বৰ মুকলি

## মথাউৰিৰ ক্ষয়-ক্ষতি সন্দৰ্ভত প্ৰশাসনক কৰিব পাৰিব অৱগত

**ই-সংবাদ, ডিব্ৰুগড়, ৩০ মে':** বাৰিষাৰ সময়ছোৱাত মথাউৰিত হ'ব পৰা যিকোনো ধৰণৰ ক্ষয়ক্ষতি যেনে- মথাউৰি ছিগা তথা ফাটমেলা, মথাউৰিৰ ওপৰেৰে পানী বাগৰা তথা মথাউৰিত পানীৰ লিকেজ ওলোৱা ইত্যাদি সম্বন্ধীয় যিকোনো খবৰ তাৎক্ষণিকভাৱে ডিব্ৰুগড় প্ৰশাসনক অৱগত কৰিবলৈ জিলা আয়ুক্ত কাৰ্যালয়ত অৱস্থিত জিলা জৰুৰীকালীন নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ ৰাইজৰ বাবে মুকলি কৰিছে। ৰাইজে 9435358371 ম'বাইল নম্বৰ তথা 03732312940 আৰু 03732450100 লেণ্ড-লাইন নম্বৰত লগতে টোল ফ্ৰী নম্বৰ 1077 ত যোগাযোগ কৰি তেনে ধৰণৰ ক্ষয়ক্ষতিৰ বিষয়ে ডিব্ৰুগড় জিলা প্ৰশাসন তথা সংশ্লিষ্ট বিভাগক অৱগত কৰিব পাৰিব।

# খাৰুপেটীয়াত ধাৰাসাৰ বৰষুণ-ধুমুহাত জনজীৱন ব্যাহত

**ই-সংবাদ, খাৰুপেটীয়া, ৩০ মে'ঃ** ৰাজ্যত যোৱানিশাৰেপৰা অহা ধাৰাসাৰ বৰষুণৰ আৰু ধুমুহাৰ ফলত ব্যাহত হৈ পৰিছে জনজীৱন। বৰষুণ-ধুমুহাত খাৰুপেটীয়াৰ বিদ্যুৎ উপ-সংমণ্ডলৰ এলেকাধীন খাৰুপেটীয়া, দলগাঁও আদি অঞ্চলত বিদ্যুৎ সংযোগ ব্যাহত হৈ পৰে। ধাৰাসাৰ বৰষুণৰ ফলত বিশেষকৈ মাকৈ আৰু শাক-পাচলিৰ খেতিৰ ব্যাপক ক্ষতিগ্ৰস্ত হৈছে। দৰং জিলাৰ বিশেষকৈ বৃহত্তৰ খাৰুপেটীয়া অঞ্চলৰ দুখীয়া দৰিদ্ৰ কৃষকসকলৰ মাকৈ খেতি পানীত ডুব যোৱাত লাখ লাখ টকাৰ ক্ষতিৰ সন্মুখীন হৈছে। খাৰুপেটীয়া বৈদ্যুতিক উপ-সংমণ্ডল অন্তৰ্গত দলগাঁও, কৌপাটী বেছিমাৰী আৰু বিভিন্ন গাঁও অঞ্চলত বতাহ আৰু বৰষুণৰ ফলত গছ-গছনি পৰি বৈদ্যুতিক খুঁটা ভাঙি যোৱাৰ ফলত অঞ্চলসমূহত নিশাৰেপৰা বিদ্যুৎ সেৱাৰ অনিশ্চয়তাত ভুগিছে ৰাইজ। বিদ্যুৎ সেৱা যোগান দিবলৈ কৰ্মচাৰীসকলে অশেষ চেষ্টা কৰি আছে বুলি জানিব পৰা গৈছে। আজি নিশাটোও অন্ধকাৰতে থাকিব লাগিব খাৰুপেটীয়া উপ-সংমণ্ডলৰ এলেকাধীন ৰাইজে। আনহাতে, ধাৰাসাৰ বৰষুণৰ ফলত খাৰুপেটীয়া পৌৰসভাৰ অন্তৰ্গত গোপাল নগৰ, সোনাপট্টি, ওৱাহাৱনগৰ, একাংশৰ ঘৰে ঘৰে পানী সোমাইছে। ইফালে, খাৰুপেটীয়া পৌৰসভাৰ মাজমজিয়াৰ চেন্টি গেটৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত একাঠুপৰ্যন্ত পানী হোৱাৰ বাতৰি পোৱা গৈছে।

# গোলকগঞ্জত ১৭ টা চোৰাং গৰুসহ পাঁচ সৰবৰাহকাৰী আটক, বাহন জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ৩০ মে'ঃ** ঈদ-উল-আজহা লৈ এসপ্তাহ বাকী থকা অৱস্থাত অসম-পশ্চিমবংগ সীমান্তত অধিক তৎপৰ হৈ উঠিছে অবৈধ চোৰাং গৰুৰ সৰবৰাহকাৰী। আজি পুৱাৰপৰা বিয়লিলৈকে গোলকগঞ্জ থানা এলেকাত আৰক্ষীয়ে সোতৰটা চোৰাং গৰুসহ পাঁচজন সৰবৰাহকাৰীক আটক কৰে। জানিব পৰা মতে, গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাৰ নিৰ্দেশত গোলকগঞ্জ আৰু ছোটোগুমা আৰক্ষী পুৱাৰেপৰা সষ্টম হৈ আছিল। পুৱা গোপন খবৰৰ ভিত্তিত গোলকগঞ্জ থানাৰ সহকাৰী উপ-পৰিদৰ্শক সঞ্জীৱ নাথৰ নেতৃত্বত আৰক্ষীৰ দল এটাই উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড গাঁৱৰ ৰেল ক্ৰছিঙৰ কাষত খাপপিটি আছিল। পশ্চিমবংগৰ পৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰে গৌৰীপুৰ অভিমুখে গৈ থকা AS 17C 5410 নম্বৰৰ মিনি ট্ৰাকখন আৰক্ষীৰ দলটোৱে গোপন খবৰৰ ভিত্তিত আটক কৰে। বাহনখনত তালাচী চলোৱাত নিৰ্মমভাৱে মুখ-ভৰি বন্ধা অৱস্থাত ছটা চোৰাং গৰু উদ্ধাৰ কৰে। আৰক্ষীয়ে বাহনখনত চালক হিচাপে থকা সৰবৰাহকাৰীজনকো আটক কৰে। আটকাধীন ছাগলীয়া দ্বিতীয় খণ্ড গাঁৱৰ মফিজুদ্দিন মিঞাৰ পুত্ৰ আব্বাছ আলী (৩০)। ইফালে, আজি শুকুৰবাৰ কাষৰীয়া পশ্চিমবংগৰ বক্সিৰহাটত সাপ্তাহিক গৰু বজাৰ বহিছিল। দুপৰীয়া বক্সিৰহাটৰপৰা গৰু ক্ৰয় কৰি অসমত প্ৰৱেশ কৰাত ছাগলীয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া পাপৰী নাথে অভিযান চলাই পাঁচটা চোৰাং গৰু সহ চাৰিজন সৰবৰাহকাৰীক আটক কৰে। আটকাধীন ক্ৰমে লোহাজানীৰ ছানোৱাৰ সেখৰ পুত্ৰ ইচাহক আলী (৩১), ছোটো পোকালাগীৰ নুৰ আলী মিঞাৰ পুত্ৰ খালেক আলী (৩৫), বটেৰহাটৰ ৰাইজ আলীৰ পুত্ৰ আবুল হুছেইন (৩৬) আৰু আঠঘৰীটাৰী ইমান আলীৰ পুত্ৰ আশ্ৰাফ আলী (৩০) বুলি জানিব পৰা গৈছে।

# অসমৰ সুৰাভৰ্তি ট্ৰাক জব্দ বক্সিৰহাট আৰক্ষীৰ, দুজন সৰবৰাহকাৰী আটক

**ই-সংবাদ, গোলকগঞ্জ, ৩০ মে'ঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্ত সংলগ্ন বংগ খণ্ডৰ বক্সিৰহাট থানাৰ আৰক্ষীয়ে জোৰাই মোড়ৰপৰা অবৈধভাৱে অসমৰ সুৰা কঢ়িওৱা ট্ৰাক এখন আটক কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। অসমৰ তুলনাত পশ্চিমবংগ আৰু বিহাৰত সুৰাৰ দাম বহু বেছি। তদুপৰি বিহাৰ চৰকাৰে সুৰা বিক্ৰী বন্ধ কৰি দিছে। অধিক মুনাফা লাভৰ উদ্দেশ্যে অসাধু চক্ৰই গোপনে অসমৰ সুৰা পশ্চিমবংগ, বিহাৰ আদি লৈ চোৰাং চালান চলাই আহিছে। বক্সিৰহাট আৰক্ষী গোপন খবৰৰ ভিত্তিত আজি পুৱা জোড়াই মোৰৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত খাপপিটি আছিল। অসমৰ পৰা MP 09 DY 8169 নম্বৰৰ ট্ৰাকখন পশ্চিমবংগত প্ৰৱেশ কৰাৰ পিছতে জোড়াই মোড়ৰ বেৰিকেডত উত্তৰ বংগ আৰক্ষীয়ে জব্দ কৰি বক্সিৰহাট থানালৈ নিয়ে। আৰক্ষীয়ে বাহনখনত তালাচী চলোৱাত গোপনে নিৰ্মাণ কৰা চেম্বাৰৰ পৰা সাত হাজাৰ আশীটা বিভিন্ন ধৰণৰ হুইস্কিৰ বটল উদ্ধাৰ কৰে। আৰক্ষীয়ে চালক সৰুপথাৰৰ সতীশ নন্দ আৰু হেণ্ডিমেন দিল্লীৰ পবনক গ্ৰেপ্তাৰ কৰে। ট্ৰাকখন অসমৰপৰা বিহাৰ অভিমুখে গৈ থকা বুলি কোচবিহাৰ আৰক্ষী অধীক্ষকে সদৰী কৰে।

# চাপৰৰ হাতীপোতা প্ৰথম খণ্ডত আঁহত গছ উভলি পৰিল ঘৰত

## কথমপি প্ৰাণৰক্ষা তিনিজনৰ



**ই-সংবাদ, চাপৰ, ৩০ মে':** ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অধীনস্থ শালকোছাৰ হাতীপোতা প্ৰথম খণ্ডত এটি প্ৰকাণ্ড আহত গছ উভলি পৰাত পকী ঘৰ বিধ্বস্ত হোৱাৰ বিপৰীতে পৰিয়ালৰ তিনি সদস্য কথমপি প্ৰাণৰক্ষা পৰে। প্ৰাপ্ত বাতৰি মতে চাপৰৰ শালকোছাৰ হাতিপোতা প্ৰথম খণ্ড গাঁৱত ধুমুহাৰ ফলত এডাল ২০০ বছৰীয়া পুৰণি কালী মন্দিৰৰ আঁহত গছ উভালি পৰে ৰাঙালু বৰ্মনৰ ঘৰত। গছডাল উভলি পৰাৰ ফলত ৰাঙালু বৰ্মনৰ এটা চৰকাৰী পকী ঘৰ সম্পূৰ্ণৰূপে বিধ্বস্ত হোৱাৰ লগতে আন দুটা কোঠালী বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। ইপিনে ৰাঙালু বৰ্মনৰ তিনিজনীয়া পৰিয়াল বিপদৰ পৰা কথমপি ৰক্ষা পৰে। নিজৰ সপোনৰ ঘৰখন বিধ্বস্ত হোৱাত কান্দোনত ভাগি পৰিছে পৰিয়ালটো। দুখীয়া পৰিয়ালটোৱে চৰকাৰ তথা প্ৰশাসনৰ ওচৰত সহায়ৰ বাবে কাতৰ অনুৰোধ জনাইছে।

# নগাঁৱৰ পশ্চিমাঞ্চলত নেৰানেপেৰা বৰষুণত স্তব্ধ জনজীৱন

## বৰোধান, শাক-পাচলি খেতিৰ বিস্তৰ ক্ষতিসাধন

**ই-সংবাদ, বেবেজীয়া, ৩০ মে':** সমগ্ৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাৰ পশ্চিমাঞ্চলটো বৃহস্পতিবাৰৰ পৰা পৰি থকা নেৰানেপেৰা বৰষুণত গঞাৱাইজৰ স্বাভাৱিক জীৱনযাত্ৰা একপ্ৰকাৰে ব্যাহত হৈ পৰিছে । জিলাখনৰ বেবেজীয়া, জাজৰি, ৰাইদঙীয়া, হাতীচোং, ভোমোৰাগুৰি, বটদ্ৰৱা, কাছমাৰী, দক্ষিণপাট, ঘাঁহী, বৰক'লা, ডিমৌ, শেনচোৱা, কাকমাৰী, নমাটি, শেতালী, বৰচিলা, কুজিসত্ৰ, দলংঘাট, টুকটুকী আদি গ্ৰামাঞ্চলবোৰত বৰষুণে গঞাৱাইজক ব্যাপক সমস্যাৰ সন্মুখিন কৰিছে। কিয়নো, ক্ষনিকৰ বাবে হ'লেও দিনটোত এবাৰো সূৰ্যই ভূমুকি নামাৰি কেৱল ধাৰাষাৰ বৰষুণেই পৰি থকাত গঞাৱাইজ গৃহবন্দী হৈ থাকিবলগীয়া হৈছে। এইদৰে সৰ্বস্তৰৰ জনতা ঘৰতে সোমাই থাকিবলগীয়া হোৱাত পশ্চিম নগাঁৱৰ গ্ৰামাঞ্চলবোৰত অধিকাংশ দোকান-পোহাৰ বন্ধ থকাৰ বিপৰীতে ৰাষ্ট্ৰাৰে যান-বাহনৰ চলাচল একেবাৰে পাতলীয়া হোৱা দেখা যায়। আনকি বৰষুণৰ বাবেই গ্ৰামাঞ্চলবোৰৰ শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি একেবাৰে সেৰেঙা হৈ পৰে। ইফালে, মুষলধাৰ বৰষুণে বহু কৃষকৰ পথাৰত লহপহকৈ হোৱা বৰো ধানবোৰ তেনেই নাশ কৰি পেলাইছে। অবিৰতভাৱে পৰি থকা বৰষুণৰ হেতু ধান চপাব নোৱৰাৰ ফলত বহু কৃষকৰে পথাৰতে ধানৰ ঠোকত গজালি মেলাৰ বিপৰীতে কোনোবাই মৰণা মাৰিছে যদিও সমুদায় ধান বৰষুণত তিতি গজালি ওলোৱাৰ ফলত বহু কৃষক লোকচানৰ সন্মুখীন হৈছে। তদুপৰি বহু কৃষকৰ পাচলিৰ খেতিও বৰষুণৰ ফলত নষ্ট হোৱাৰ উপক্ৰম হৈছে। ইপিনে, নেৰানেপেৰা বৰষুণৰ ফলত পথাৰত পানী জমা হোৱাত বহুতৰে পথাৰত দাবলৈ থকা ধানবোৰ পানীৰ তলত পৰি নষ্ট হৈছে। তদুপৰি ভুতৰ ওপৰত দানহ পৰা দি নিশা হোৱা প্ৰচণ্ড বতাহ-বৰষুণৰ ফলত ঠায়ে ঠায়ে ডাঙৰ ডাঙৰ গছ উভলি বিদ্যুৎ পৰিবাহী তাঁৰত পৰাত গ্ৰামাঞ্চলবোৰত পুৱাৰে পৰা বিদ্যুত সৰবৰাহ ব্যাহত হৈ পৰে। ইয়াৰে কুজিসত্ৰত বিদ্যুতৰ দুটা খুঁটা ভাগি পৰাৰ ফলত বিদ্যুৎ সৰবৰাহ বন্ধ হৈ সমগ্ৰ অঞ্চলটো অন্ধকাৰ হৈ পৰিছে।

# বিটিচিৰ নিৰ্বাচনলৈ ইউপিপিএল সম্পূৰ্ণৰূপে সাজু : প্ৰমোদ বড়ো

**ই-সংবাদ, কোকৰাঝাৰ, ৩০ মে':** কোকৰাঝাৰত কেবিনেট মন্ত্ৰী ৰঞ্জিত দাসে আজি আগন্তুক বিটিচি নিৰ্বাচনক লৈ মন্তব্য প্ৰকাশ কৰিছে। মন্ত্ৰী দাসে কয় যে অহা তিনি জুনত অনুষ্ঠিত হবলগীয়া ক'ৰ কমিটিৰ সভাত বিজেপিয়ে কেইটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব সেয়া সিদ্ধান্ত লোৱা হ'ব। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে আগন্তুক বিটিচি নিৰ্বাচনক কেন্দ্ৰ কৰি বিটিআৰৰ পাঁচখন জিলাত পাঁচগৰাকী মন্ত্ৰী পৰ্যবেক্ষকক দায়িত্ব দিছে আৰু অহা তিনি জুনত পৰ্যবেক্ষকসকলে প্ৰতিবেদন দাখিল কৰিব। মন্ত্ৰী ৰঞ্জিত দাসে কয়-- মোক বাগচা জিলাৰ দায়িত্ব দিছিল। বাগচা জিলাৰ কিমানটা সমষ্টিত আমাৰ দলীয় স্থিতি কিমান শক্তিশালী, কিমানটা সমষ্টিত আমি নিৰ্বাচনত অংশগ্ৰহণ কৰিব পাৰিম এইখিনি তদাৰক কৰাৰ বাবে দায়িত্ব অৰ্পণ কৰিছিল আৰু বুথ পৰ্যায়ৰ স্থিতিলৈকে আমি পৰ্যবেক্ষণ কৰিছো। যিসমূহ সমষ্টিত সংগঠনৰ স্থিতি ভাল সেই সমষ্টিতে বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি মন্তব্য কৰিছে মন্ত্ৰী ৰঞ্জিত দাসে। উল্লেখ্য যে অহা তিনি জুনত বিটিচি নিৰ্বাচনক লৈ গুৱাহাটীত এখন ক'ৰ সমিতিৰ বৈঠক অনুষ্ঠিত হ'ব। উক্ত সভাতে পাঁচজন মন্ত্ৰীয়ে বিটিআৰৰ পাঁচখন জিলা পৰ্যবেক্ষণ প্ৰতিবেদন দাখিল কৰিব। প্ৰতিবেদন দাখিল কৰাৰ পাছত ৰাজ্যিক সভাপতি আৰু মুখ্যমন্ত্ৰীয়ে আগন্তুক দিনৰ কাৰ্যসূচী থিৰাং কৰিব। মন্ত্ৰী দাসৰ মতে যোৱাবাৰ বিজেপিয়ে অকলে নিৰ্বাচন খেলি ৯খন আসন পাইছিল আৰু প্ৰমোদ বড়োৰ লগত চৰকাৰ গঠন কৰিছিল। যোৱাবাৰৰ দৰে এইবাৰো অকলে নিৰ্বাচন খেলাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি জানিবলৈ দিয়ে মন্ত্ৰীগৰাকীয়ে। মিত্ৰতাৰ সন্দৰ্ভত কয় যে যোৱাবাৰো নিৰ্বাচনৰ পূৰ্বে ইউপিপিএল দলৰ লগত মিত্ৰতা কৰা হোৱা নাছিল আৰু এইবাৰো কৰা নহয় বুলি ইতিমধ্যে দলে সিদ্ধান্ত লোৱা সিদ্ধান্তৰ কথা সদৰি কৰিছে মন্ত্ৰী ৰঞ্জিত দাসে। আনহাতে, বিটিচিৰ মুখ্য কাৰ্যবাহী তথা ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োৱে কয় যে বিটিচিৰ নিৰ্বাচনক লৈ বুথ কমিটি, ব্লক কমিটিৰপৰা জিলা কমিটিলৈ সম্পূৰ্ণ সাজু হৈ পৰিছে। শান্তি, উন্নয়ন, প্ৰগতিৰ ধাৰাৰে ইউপিপিএলে অনাগত সময়ছোৱাতো সকলো জাতি জনগোষ্ঠীৰ সমন্বয়, ভাতৃত্ববোধ অক্ষুণ্ণ ৰাখি আগবাঢ়ি যাব আৰু বিজয় সুনিশ্চিত বুলি দাবী কৰিছে।

# নগাঁও-হোজাই জিলাত বিকশিত কৃষি সংকল্প অভিযানৰ শুভাৰম্ভ

**ই-সংবাদ, বেবেজীয়া, ৩০ মে':** ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে যোৱা ২৯ মে'ৰ পৰা 'বিকশিত কৃষি সংকল্প অভিযান' শীৰ্ষক দেশজোৰা প্ৰাক খাৰিফ কৃষি অভিযান ৰূপায়ন কৰিছে। ভাৰতৰ ৭০০ জিলাৰ ১ ৰ পৰা ১.৫ কোটি কৃষকক কৃষি আৰু আনুসংগিক বিষয়ত সজাগতা সৃষ্টি কৰা, খাৰিফ শস্যৰ ঠাই বিশেষে বহনক্ষম প্ৰযুক্তিৰ বিষয়ে কৃষকসকলৰ মাজত সজাগতা সৃষ্টি কৰা, মাটিৰ স্বাস্থ্য কাৰ্ড ভিত্তিত সাৰ প্ৰয়োগৰ ব্যৱস্থা প্ৰসাৰ কৰা, বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে অৱগত কৰা, কৃষকসকলৰ পৰা কৃষি আৰু আনুসংগিক খণ্ডৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ সন্দৰ্ভত মতামত প্ৰদান কৰা আদি উদ্দেশ্য আগত ৰাখি ৰূপায়ন কৰা এই কাৰ্যসূচীৰ অধীনত বৃহস্পতিবাৰে নগাঁও জিলাৰ শেনচোৱা আঞ্চলিক সাৰ্বজনীন কলাক্ষেত্ৰ কদমতলত প্ৰথমটি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। নগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত তথা জিলা কৃষি, পশু চিকিৎসা আৰু মীন বিভাগৰ সহযোগত অনুষ্ঠিত হোৱা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিশিষ্ট সমাজকৰ্মী তথা ভাৰতীয় জনতা পাৰ্টীৰ নগাঁও জিলাৰ সভাপতি অমিতাভ বৰাই কৃষকৰ জীৱন ধাৰণৰ মান উন্নত কৰা, তেওঁলোকৰ উৎপাদন বৃদ্ধি কৰা, আয় বৃদ্ধি কৰা আৰু তেওঁলোকৰ জীৱনযাত্ৰাক উন্নত কৰাৰ লক্ষ্যৰে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ আৰু আঁচনিৰ বিষয়ে আলোকপাত কৰে। নগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ ভূমি বিজ্ঞান বিশেষজ্ঞ দিপেন চন্দ্ৰ নাথে আঁত ধৰা অনুষ্ঠানটিৰ আদৰণি ভাষন প্ৰদান কৰি নগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰধান বিজ্ঞানী তথা মুৰব্বী ড° ভবেশ চন্দ্ৰ ডেকাই কৃষি আৰু আনুসংগিক ক্ষেত্ৰৰ বাবে গ্ৰহণ কৰা বিভিন্ন কাৰ্যপন্থাৰ বিশ্লেষণ কৰে। অনুষ্ঠানত নগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত মনোৰমা মৰাং, সহকাৰী আয়ুক্ত তেজশ অগ্নীহোত্ৰি, জিলা কৃষি বিষয়া নিখিল নাৰায়ণ বৰুৱা, জিলা পশুপালন বিষয়া শান্তনু কুমাৰ খাউণ্ড, জিলা মৎস্য উন্নয়ন বিষয়া হিমাংশু তালুকদাৰ, নাবাৰ্ডৰ নগাঁও আৰু হোজাই জিলা উন্নয়ন প্ৰবন্ধক ৰাজেন্দাৰ ৰাজমাউলি পাৰনাই বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে, এই বিকশিত কৃষি সংকল্প অভিযানৰ অধীনত নগাঁও আৰু হোজাই জিলাৰ ১৮ টা খণ্ডৰ ৫০০০ কৃষকক সামৰি প্ৰতিদিনে দুটাকৈ বিশেষজ্ঞৰ দলে ৮০০ গৰাকী কৃষকৰ সৈতে মত-বিনিময় কৰি সজাগতা সৃষ্টি কৰিব।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# উত্তৰ গাজা গভৰ্ণৰেটত অন্তিমখন চিকিৎসালয়ত লাগিল তলা

**গাজা, ৩০ মে':** উত্তৰ গাজা গভৰ্ণৰেটত স্বাস্থ্য সেৱা প্ৰদান কৰা শেষৰখন চিকিৎসালয় ইজৰাইলৰ সেনাই তৎকালীনভাৱে খালী কৰাৰ নিৰ্দেশ দিয়াৰ পাছত অঞ্চলটোত চিকিৎসা সেৱা বন্ধ হৈ পৰিছে। হাস্পতাল কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে, বৃহস্পতিবাৰে সন্ধিয়া জাবালিয়াৰ আল-আউদা চিকিৎসালয়ৰ পৰা ৰোগীসকলক উলিয়াই পঠিওৱা হয়। দুসপ্তাহ ধৰি ঘেৰাও কৰাৰ পাছত বলপূৰ্বকভাৱে খালী কৰোৱা বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত ইজৰাইলে এতিয়াও কোনো মন্তব্য প্ৰকাশ কৰা নাই। ইফালে "দুৰ্গম পথৰ বাবে" চিকিৎসালয়খনৰ চিকিৎসা সঁজুলিসমূহ স্থানান্তৰ কৰিব পৰা নগ'ল বুলি বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰিছে। ৰাষ্ট্ৰসংঘৰ মানৱীয় সংস্থা অ'চিএ-য়ে বৃহস্পতিবাৰে কয় যে "যোৱা দুসপ্তাহ ধৰি চলি থকা শত্ৰুতাই চিকিৎসালয়খনৰ ক্ষতিসাধন কৰিছে, প্ৰৱেশত ব্যাঘাত জন্মাইছে আৰু আতংকৰ সৃষ্টি কৰিছে, যাৰ ফলত মানুহক চিকিৎসা কৰিব পৰা হোৱা নাই। ৰোগীসকলক গাজা চহৰৰ আল-শ্বিফা চিকিৎসালয়লৈ স্থানান্তৰ কৰা হয়। চিকিৎসালয় কৰ্তৃপক্ষই গাজা চহৰৰ এটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ জৰিয়তে সেৱা আগবঢ়াব আৰু আশ্ৰয় শিবিৰত আন এটা কেন্দ্ৰ স্থাপন হ'ব পাৰে বুলি আশা ব্যক্ত কৰে। ডব্লিউ এইচ অ'ৰ সঞ্চালক প্ৰধান টেড্ৰ'ছ আধানম গেব্ৰেইছাছে কয় যে আল-আউদা বন্ধ কৰাৰ অৰ্থ হ'ল উত্তৰ গাজা গভৰ্ণৰেটত কোনো কাৰ্যক্ষম চিকিৎসালয় বাকী থকা নাই, যাৰ ফলত "তাত থকা লোকসকলৰ বাবে এক জীৱন জটিল হৈ পৰিছে"। তেওঁ কয় যে ডব্লিউএইচঅ'ই চিকিৎসালয়খনৰ সুৰক্ষা আৰু কৰ্মচাৰী আৰু ৰোগীৰ সুৰক্ষাৰ বাবে অনুৰোধ জনাইছে, আৰু সাধাৰণ নাগৰিক আৰু স্বাস্থ্যসেৱাৰ সক্ৰিয় সুৰক্ষাৰ বাবে পুনৰ আহ্বান জনাইছে। "চিকিৎসালয়ত কেতিয়াও আক্ৰমণ বা সামৰিকীকৰণ কৰিব নালাগে।" তেওঁ লগতে কয়। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বাৰ্তাত ডাঃ ছালহা নামৰ চিকিৎসকজনে কয়, 'আমি সঁচাকৈয়ে দুখী যে আমি চিকিৎসালয়খন খালী কৰিলোঁ, কিন্তু ইজৰাইলৰ দখলদাৰী বাহিনীয়ে আমাক চিকিতসালয় বন্ধ নকৰিলে সকলোকে হত্যা কৰাৰ ভাবুকি দিছিল।'



পুনেত এনডিএৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা ১৭ গৰাকী মহিলা কেডেটৰ প্ৰথমটো বেট্চ, ফটো শুকুৰবাৰৰ

# বাহিৰত ভিজিলেঞ্চ অভিযন্তাৰ খিৰীকিৰে টকাৰ বৰষুণ

**ভুৱনেশ্বৰ, ৩০ মে':** শুকুৰবাৰে ওড়িশাত ভিজিলেঞ্চ অভিযান চলাই এজন চৰকাৰী অভিযন্তাৰ ঘৰৰ পৰা ২ কোটিতকৈয়ো অধিক নগদ ধন আৰু মূল্যবান সম্পত্তি উদ্ধাৰ কৰে। ভুৱনেশ্বৰত ৰাজ্যখনৰ আৰ ডব্লিউ ডিভিজনৰ গ্লেন ৰোডছৰ মুখ্য অভিযন্তা বৈকুণ্ঠ নাথ সাৰংগীৰ আৱাসগৃহ আৰু কাৰ্যালয়ত অভিযান চলায় ওড়িশা আৰক্ষীৰ দুৰ্নীতি বিৰোধী শাখাই। বিষয়াসকলে জনোৱা মতে, এই স্থানসমূহত এতিয়াও অনুসন্ধান অভিযান চলি আছে। সাৰংগীৰ পৰা উদ্ধাৰ হোৱা নগদ ধনৰ ভিতৰত তেওঁৰ ভুৱনেশ্বৰ ফ্লেটৰ পৰা প্ৰায় ১ কোটি নগদ ধন জব্দ কৰাৰ বিপৰীতে আংগুলৰ তেওঁৰ বাসগৃহত ১.১ কোটি টকা উদ্ধাৰ কৰা হৈছে বুলি বিষয়াসকলে জনায়। ঘটনাৰ বিৱৰণি অনুসৰি ভিজিলেঞ্চৰ দল ঘৰলৈ অহাৰ উমান পাই সাৰংগীয়ে ৫০০ টকীয়া নোটৰ বাণ্ডিলবোৰ খিৰীকিৰে দলিয়াবলৈ আৰম্ভ কৰিছিল। আয়ৰ সৈতে সামঞ্জস্য নথকা সম্পত্তি অধিকাৰ কৰাৰ অভিযোগত সাৰংগীৰ বিৰুদ্ধে ৰুজু হোৱা এক গোচৰৰ ভিত্তিত এই অভিযান চলোৱা হৈছিল।

# আজি পুনৰ হ'ব মকড্ৰিল

নতুন দিল্লী, ৩০ মে': আজি সমগ্ৰ পঞ্জাৱ, হাৰিয়ানা, ৰাজস্থান, গুজৰাট, চণ্ডীগড়, আৰু জম্মু-কাশ্মীৰত 'অপাৰেচন শ্বিল্ড'ৰ বেনাৰত এক বৃহৎ অসামৰিক প্ৰতিৰক্ষা অনুশীলন অনুষ্ঠিত হ'ব। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে ১৯৬৮ চনৰ অসামৰিক প্ৰতিৰক্ষা নিয়মৰ ১৯ নং ধাৰাত ক্ষমতা প্ৰয়োগ কৰি দ্বিতীয় ৰাউণ্ডৰ মক ড্ৰিলৰ বাবে নিৰ্দেশনা জাৰি কৰিছে।এই অনুশীলনসমূহ ভাৰতৰ পশ্চিম সীমান্তৰ সীমান্তৱৰ্তী ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ সকলো জিলাতে অনুষ্ঠিত হ'ব। পঞ্জাৱত বিষয়াসকলে নিশ্চিত কৰিছে যে দুৰ্বল স্থানৰ ওচৰৰ অসামৰিক অঞ্চলত ব্লেকআউট প্ৰট'কল কাৰ্যকৰী কৰা হ'ব। চিকিৎসালয় আৰু জটিল আন্তঃগাঁথনিকে ধৰি জৰুৰীকালীন সেৱাসমূহ কাৰ্যক্ষম হৈ থাকিব। ড্ৰিলৰ অংশ হিচাপে এয়াৰ ৰেইড চাইৰেনবোৰ পৰীক্ষা কৰা হ'ব।

# দেশৰ সম্পূৰ্ণ সাক্ষৰ ৰাজ্য হিচাপে দ্বিতীয় স্থান দখল গোৱাৰ

**পানাজী, ৩০ মে':** উল্লাস (সমাজত সকলোৰে বাবে আজীৱন শিক্ষাক বুজা) পদক্ষেপৰ অধীনত আনুষ্ঠানিকভাৱে সম্পূৰ্ণ সাক্ষৰ ঘোষণা কৰা ভাৰতৰ দ্বিতীয়খন ৰাজ্য হিচাপে পৰিগণিত হৈছে গোৱা। ৰাজ্যখনৰ ৩৯ সংখ্যক ৰাজ্যিকতা দিৱস উপলক্ষে শুকুৰবাৰে মুখ্যমন্ত্ৰী প্ৰমোদ সাৱন্তে কয় যে, 'এয়া নতুন উন্নতিৰে শিক্ষা খণ্ডক শক্তিশালী কৰাৰ বাবে আমাৰ স্থায়ী সামূহিক প্ৰচেষ্টা ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ ফল।' ১৯৮৭ চনত কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা ৰাজ্যলৈ উন্নীত হোৱা গোৱা মিজোৰামৰ পিছত সম্পূৰ্ণ কাৰ্যক্ষম সাক্ষৰ ৰাজ্য ঘোষিত দ্বিতীয়খন ৰাজ্য হিচাপে পৰিগণিত হৈছে। ভাৰতৰ শিক্ষা মন্ত্ৰালয়ৰ যুটীয়া সচিব অৰ্চনা অৱস্থীয়ে কয় যে গোৱাই সম্পূৰ্ণ সাক্ষৰ ৰাজ্য হিচাপে ঘোষণা কৰাৰ বাবে প্ৰয়োজনীয় সকলো দিশ পূৰণ কৰিছে। কেন্দ্ৰৰ উল্লাস আঁচনিৰ অধীনত এখন ৰাজ্যক তেতিয়াহে সম্পূৰ্ণ সাক্ষৰ বুলি গণ্য কৰা হয় যেতিয়া ইয়াৰ সাক্ষৰতাৰ হাৰ ৯৫% অতিক্ৰম কৰে। গোৱাই ৯৯.৫% সাক্ষৰতাৰ হাৰ লাভ কৰিছে।

# মোবাইল ফোনৰ পোহৰতে চাৰি মহিলাই জন্ম দিলে সন্তান

**লক্ষ্ণৌ, ৩০ মে':** উত্তৰপ্ৰদেশৰ এটা চৰকাৰী স্বাস্থ্য কেন্দ্ৰত বিদ্যুতৰ অভাৱত মোবাইল ফোনৰ ফ্লেশ্ব লাইটৰ পোহৰতে চাৰিগৰাৰী মহিলাই সন্তান জন্ম দিয়াৰ এক ঘটনা পোহৰলৈ আহিছে। শুকুৰবাৰে বেৰুৱাৰবাৰী অঞ্চলৰ স্বাস্থ্য কেন্দ্ৰটোত মহিলাকেইগৰাকীয়ে মোবাইলৰ পোহৰত কেঁচুৱা প্ৰসৱ কৰাৰ অভিযোগ উত্থাপন হোৱাৰ পাছতে তদন্তৰ নিৰ্দেশ দিয়া হৈছে। ঘটনাৰ তদন্তৰ বাবে উপ-মুখ্য চিকিৎসা বিষয়াৰ নেতৃত্বত গঠন কৰা হৈছে তিনিজনীয়া এখন তদন্ত সমিতি। মুখ্য চিকিৎসা বিষয়া ডাঃ সঞ্জীৱ বৰ্মনে জনোৱা মতে, জিলা সদৰৰ পৰা ১২ কিলোমিটাৰ দূৰত্বত অৱস্থিত বেৰুৱাৰবাৰীস্থিত চৰকাৰী স্বাস্থ্য কেন্দ্ৰটোত সোমবাৰে নিশা চাৰিগৰাকী গৰ্ভৱতী মহিলাই মোবাইল ফোনৰ পোহৰত প্ৰসৱ কৰা বুলি সংবাদ মাধ্যমৰ জৰিয়তে তথ্য লাভ কৰা হৈছে। সাংবাদিকৰ আগত তেওঁ কয় যে, "প্ৰাথমিক তথ্যৰ পৰা অনুমান কৰা হৈছে যে বেৰুৱাৰবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ট্ৰেন্সফৰ্মাৰটো তিনিদিন পূৰ্বে জ্বলি যোৱাৰ বাবেই এনে হৈছে। স্বাস্থ্য কেন্দ্ৰটোত জেনেৰেটৰ আৰু ডিজেল উপলব্ধ হোৱাৰ পাছতো এনে ঘটনা সংঘটিত হৈছে।" সোমবাৰে নিশা এইদৰে সন্তান প্ৰসৱ কৰা মহিলাকেইগৰাকী হ'ল ৰাজপুৰৰ নীতু দেৱী, আচুহীৰ মঞ্জু দেৱী, আদৰৰ পৰা পিংকি দেৱী আৰু অপায়লৰ ৰাজিয়া খাতুন। ডঃ বৰ্মনে আৰু আশ্বাস দিয়ে যে তদন্তৰ প্ৰতিবেদন লাভ কৰাৰ পাছত দায়ী বুলি ধৰা পৰাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

# মহাৰাষ্ট্ৰত নতুনকৈ ৮৪ জন লোক ক'ভিডত আক্ৰান্ত

**মুম্বাই, ৩০ মে':** শুকুৰবাৰে মহাৰাষ্ট্ৰত নতুনকৈ ৮৪ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হোৱাৰ লগে ২০২৫ চনৰ জানুৱাৰী মাহৰ পৰা মুঠ সংক্ৰমণৰ সংখ্যা ৬৮১ জনলৈ বৃদ্ধি পাইছে। এক বিবৃতিত বিষয়াসকলে অধিকাংশ ৰোগী সাধাৰণভাৱে আক্ৰান্ত বুলি জোৰ দি কয় যে জনসাধাৰণ আতংকিত হোৱাৰ কোনো প্ৰয়োজন নাই। বিভাগটোৱে নাগৰিকসকলক আশ্বাস দিয়ে যে সমগ্ৰ ৰাজ্যতে পৰ্যাপ্ত পৰীক্ষা আৰু চিকিৎসাৰ আন্তঃগাঁথনি স্থাপন কৰা হৈছে। বৰ্তমানলৈকে মহাৰাষ্ট্ৰত ৪৬৭ জন ক'ভিড-১৯ ৰোগী সক্ৰিয় হৈ আছে। ২০২৫ চনৰ আৰম্ভণিৰ পৰা কেৱল মুম্বাইতে ৪১১ জন ক'ভিড ৰোগী পঞ্জীয়ন হৈছে। জানুৱাৰী মাহৰ পৰা ৰাজ্যজুৰি কৰা ১০,৩২৪টা ক'ভিড-১৯ টেষ্টৰ ভিতৰত ৬৮১টা পজিটিভ পোৱা গৈছে। স্বাস্থ্য বিভাগেও ১ জানুৱাৰীৰ পৰা ক'ভিড-১৯ৰ সৈতে জড়িত সাতজন লোকৰ মৃত্যুৰ বাতৰি প্ৰকাশ কৰিছে। ইয়াৰে ছয়জন ব্যক্তিৰ সহ-ৰোগ, আনহাতে এজনৰ অন্যান্য অন্তৰ্নিহিত স্বাস্থ্যজনিত অৱস্থা আছিল।

# ষ্টেট বেংকৰ সৈতে কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনীৰ বুজাবুজি চুক্তিত স্বাক্ষৰ

**ই-সংবাদ বিশেষ, ৩০ মে':** কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনীৰ সদস্যসকলৰ কল্যাণ শক্তিশালী কৰাৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰি কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনীয়ে ঘোষণা কৰিছে যে যোৱা ২৩ মে'ত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী দৰমহা পেকেজ (CAPSP)ৰ অধীনত সেৱা আগবঢ়োৱা আৰু অৱসৰপ্ৰাপ্ত চিআইএছএফৰ কৰ্মীসকলৰ দৰমহা একাউন্ট পৰিচালনাৰ বাবে ভাৰতীয় ষ্টেট বেংকৰ সৈতে বুজাবুজি চুক্তি স্বাক্ষৰ কৰে। নতুন দিল্লীৰ চিআইএছএফৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত এই বুজাবুজি চুক্তি আনুষ্ঠানিকভাৱে চি আই এছ এফৰ হৈ উপ-মহাপৰিদৰ্শক (প্ৰশাসন) ৰেখা নাম্বিয়াৰ আৰু মুম্বাইৰ এছ বি আই কৰ্পৰেট চেণ্টাৰৰ মহাপ্ৰবন্ধক (এন আৰ আই আৰু এছ পি) ৰঞ্জনা সিনহাই ২৩ মে' ২০২৫ৰপৰা ২২ মে' ২০২৮ লৈ তিনি বছৰৰ বাবে চুক্তিবদ্ধ হয়। চুক্তিখনত চিআইএছএফৰ কৰ্মীসকলৰ বাবে কেইবাটাও বৰ্ধিত আৰ্থিক সুবিধা অন্তৰ্ভুক্ত কৰা হৈছে, যিয়ে চিআইএছএফৰ সদস্যসকলৰ কল্যাণ আৰু আৰ্থিক সুৰক্ষাৰ প্ৰতি অবিৰত দায়বদ্ধতাৰ এক ডাঙৰ মাইলৰ খুঁটি হিচাপে প্ৰমাণিত হ'ব। এই সুবিধাসমূহ বাহিনীৰ সদস্যসকলৰ বাবে বিনামূলীয়াকৈ উপলব্ধ হ'ব। প্ৰথমবাৰৰ বাবে অৱসৰপ্ৰাপ্ত কৰ্মীসকলক দিয়া সুবিধাসমূহ যথেষ্ট বৃদ্ধি কৰা হৈছে। পেকেজৰ অধীনত গুৰুত্বপূৰ্ণ কল্যাণমূলক সুবিধাসমূহৰ ভিতৰত ব্যক্তিগত দুৰ্ঘটনা বীমা (মৃত্যুৰ) কভাৰ ৫০ লাখ টকা, একাউণ্টৰ বেলেঞ্চ শূন্য, কোনো বাৰ্ষিক ৰক্ষণাবেক্ষণৰ চাৰ্জ নোহোৱাকৈ বিনামূলীয়া ডেবিট কাৰ্ড, এছ বি আইৰ এ টি এমত সীমাহীন বিনামূলীয়া লেনদেন আৰু অন্য বেংকৰ এ টি এমত প্ৰতিমাহে ১০ টা বিনামূলীয়া লেনদেন, বিনামূলীয়াকৈ চাহিদাৰ খচৰা জাৰি কৰা, বৈকল্পিক অটো ছুইপ বৈশিষ্ট্য, বাৰ্ষিক লকাৰ ভাড়াত ১০% ৰেহাই আদি অন্তৰ্ভুক্ত। যদি ব্যক্তিগত দুৰ্ঘটনা বীমা (মৃত্যুৰ) দাবী গ্ৰহণযোগ্য বুলি ধৰা পৰে, তেন্তে আকস্মিক মৃত্যুৰ ক্ষেত্ৰত পোৱাৰ ক্ষেত্ৰত প্লাষ্টিক চাৰ্জাৰীৰ খৰচ, শিশুৰ উচ্চ শিক্ষা (স্নাতক ডিগ্ৰী লাভৰ বাবে), কন্যা শিশু বিবাহৰ বাবে আৰ্থিক সাহায্য, এয়াৰ এম্বুলেন্সঃ সৰ্বাধিক ১০ লাখ টকাপৰ্যন্ত, এম্বুলেন্সৰ চাৰ্জঃ সৰ্বোচ্চ ৫০,০০০ টকাপৰ্যন্ত অতিৰিক্ত ক'ভাৰ হিচাপে প্ৰযোজ্য হ'ব। বুজাবুজি চুক্তিখনে 'এছ বি আই ৰিষ্টে' পৰিয়াল সঞ্চয় একাউণ্টকো সামৰি লৈছে, যিয়ে চি আই এছ এফৰ কৰ্মীসকলৰ পত্নী, সন্তান, পিতৃ-মাতৃ আৰু ভাই-ভনীসকলক কেইবাটাও সুবিধাৰ সৈতে চাৰিটা শূন্য বেলেঞ্চ একাউণ্ট খুলিবলৈ সক্ষম কৰিব। উক্ত সেৱাসমূহ হৈছে-- কোনো বাৰ্ষিক ৰক্ষণাবেক্ষণৰ চাৰ্জ নোহোৱাকৈ বিনামূলীয়া ডেবিট কাৰ্ড, এছ বি আইৰ এ টি এমত সীমাহীন বিনামূলীয়া লেনদেন আৰু অন্যান্য বেংকৰ এ টি এমত প্ৰতিমাহে ১০টা বিনামূলীয়া লেনদেন, বিনামূলীয়াকৈ ডিমাণ্ড ড্ৰাফ্ট জাৰি কৰা, বৈকল্পিক অটো ছুইপ বৈশিষ্ট্য, বাৰ্ষিক লকাৰ ভাড়াত ১০% ৰেহাই, ব্যক্তিগত আকস্মিক মৃত্যুৰ আৱৰণ ৫ লাখ টকা (নাবালকৰ বাহিৰে)। এই সুবিধাসমূহ সময়মতে প্ৰদান কৰাটো নিশ্চিত কৰিবলৈ অভিযোগ নিৰাময় ব্যৱস্থা স্থাপন কৰা হৈছে। এছ বি আই (চি এ পি এফ আৰু আৰক্ষীৰ উপদেষ্টা)ৰ এক নিষ্ঠাৱান সম্পৰ্ক চিআইএছএফৰ মুখ্য কাৰ্যালয়ৰ কল্যাণ সঞ্চালকালয়ৰ অধীনস্থ এটা বিশেষ কোষৰ সৈতে সমন্বয় স্থাপন কৰি চিএপিএছপি সম্পৰ্কীয় কাম-কাজসমূহ সুচাৰুৰূপে ৰূপায়ণ আৰু সমস্যা সমাধানৰ বাবে কাম কৰিব পৰিচালকে। এই বুজাবুজি চুক্তিয়ে বাহিনীৰ জোৱান আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণৰ প্ৰতি চিআইএছএফ আৰু এছবিআই উভয়ৰে দায়বদ্ধতাক আলোকপাত কৰে।

# মৰিগাঁও জিলাত বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ, উপকৃত হব ১০ হাজাৰৰো অধিক কৃষক

**ই-সংবাদ, লাহৰীঘাট ৩০ মে':** ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ আহ্বানক্ৰমে আজিৰে পৰা দেশজুৰি আৰম্ভ হোৱা বিকশিত কৃষি সংকল্প অভিযান শীৰ্ষক প্ৰাক-খাৰিফ কৃষি অভিযান মৰিগাঁও জিলাতো আৰম্ভ হৈছে। মৰিগাঁও জিলাৰ মায়ং ক্ৰীড়া সন্থাৰ খেলপথাৰত আজি মৰিগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত গগৈয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। কাৰ্যসুচীৰ অংশৰূপে জিলা কৃষি বিভাগে কৃষক ৰাইজৰ সুবিধাৰ্থে কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনি সন্দৰ্ভত সজাগতা সৃষ্টি কৰাৰ লগতে কৃষক পঞ্জীয়ন, ফচল বীমা আদিৰ ব্যৱস্থা কৰা হয়। ইয়াৰ উপৰি আধুনিক কৃষি পদ্ধতিত ড্ৰ'ন আৰু নেন' ইউৰিয়া প্ৰদৰ্শন কৰাৰ লগতে খেতিত ইয়াৰ ব্যৱহাৰ আৰু উপকাৰিতা সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা হয়। ইয়াৰ পিছতে কৃষি ৰথৰ শুভাৰম্ভনি কৰি পৰৱৰ্তী ১৩ দিনলৈ অনুষ্ঠিত হ'বলগীয়া এই যাত্ৰাৰ উদ্বোধন কৰা হয়। মৰিগাঁও জিলা প্ৰশাসন আৰু জিলা পৰিষদ, মৰিগাঁৱৰ বিশেষ সহযোগত আয়োজিত অনুষ্ঠানত মীন বিভাগ আৰু পশুপালন আৰু পশুচিকিৎসা বিভাগেও বিভিন্ন চৰকাৰী আঁচনিৰ অধীনত ঠাইতে কৃষকসকলৰ পঞ্জীয়ন কৰে। অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্ৰ, মৰিগাঁৱৰ কৃষি বিজ্ঞানী আৰু বিশেষজ্ঞসকলৰ লগতে বিভিন্ন বিভাগৰ বিষয়াসকলে খেতিয়কসকলৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ লগতে তেওঁলোকৰ সমস্যাসমূহৰ সমাধানসূত্ৰ উলিওৱাৰ প্ৰয়াস কৰা হয়। আজি জাগী-ভকতগাঁও সমবায় ভৱনতো অনুৰূপ কাৰ্যসূচী অনুষ্ঠিত হয়। উল্লেখ্য যে এই অভিযানৰ মূল উদ্দেশ্য হৈছে দেশৰ ৭০০ খন জিলাৰ ভিতৰত ১ ৰ পৰা ১.৫ কোটি কৃষকক কৃষি আৰু আনুষাংগিক ক্ষেত্ৰসমূহৰ বিষয়ে সজাগ কৰা। বিশেষকৈ খাৰিফ শস্য উৎপাদনত সহায়ক বহনক্ষম প্ৰযুক্তিৰ প্ৰচাৰ, মাটি স্বাস্থ্য কাৰ্ডৰ আধাৰত সাৰ ব্যৱহাৰৰ প্ৰচলন, চৰকাৰৰ বিভিন্ন আঁচনিৰ বিষয়ে কৃষকসকলক অৱগত কৰোৱা আৰু কৃষিখণ্ডৰ বিভিন্ন দিশত কৃষকসকলৰ মতামত সংগ্ৰহ কৰা এই অভিযানৰ মুখ্য উদ্দেশ্য। এই অভিযানৰ অধীনত মৰিগাঁও জিলাৰ পাঁচটা উন্নয়ন খণ্ডৰ অন্তৰ্গত ৫২ খন গাঁও পঞ্চায়ত সামৰি লোৱা হ'ব। কৃষি বিজ্ঞানী, সংশ্লিষ্ট বিভাগৰ বিষয়া, আৰু আগশাৰীৰ কৃষকসকলক লৈ গঠিত দুটা দলে প্ৰতিদিনে চাৰিখনকৈ গাঁও পঞ্চায়তৰ ভিতৰত এই অভিযান চলাব। এই সময়ছোৱাত প্ৰতিদিনে প্ৰায় ৮০০ জন কৃষকক অন্তৰ্ভুক্ত কৰি মুঠ ১০৪০০ জন কৃষকক এই কাৰ্যসূচীত সামৰি লোৱা হ'ব।আজিৰ অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্ৰ, মৰিগাঁৱৰ জ্যেষ্ঠ বিজ্ঞানী তথা মুৰব্বী ৰিজুস্মিতা ডেকা, জিলা মীন বিষয়া ভাস্কৰজ্যোতি নাথ, কৃষকৰ কল্যাণৰ হকে কাম কৰি অহা বিশিষ্ট সমাজকৰ্মী কৃষ্ণকান্ত বৰা, কৃষি বিজ্ঞান কেন্দ্ৰ, মৰিগাঁৱৰ সমূহ বিষয়া-কৰ্মচাৰী, বিভিন্ন বিভাগৰ বিষয়া আৰু স্থানীয় কৃষকসকল উপস্থিত আছিল।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# বদৌচাৰ শিক্ষাৰ্থীয়ে বেয়া কাম কৰিব নোৱাৰেঃ ময়ূৰ বৰা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৩০ মে':** ২০২০ চনৰ এক বিশেষ শুভ ক্ষণত চাৰিগৰাকী উদ্যমী যুৱকৰ বুকত থকা সাহস আৰু সপোনৰ ফলশ্ৰুতিত তিনিচুকীয়াৰ মাকুমত গঢ়ি উঠিছিল বদৌচা ছিনিয়ৰ ছেকেণ্ডেৰী স্কুল। সম্প্ৰতি বিদ্যালয়খনে এক অগতানুগতিক শৈক্ষিক বাতাবৰণৰ সৃষ্টি কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক মানৰ সম্পদৰূপে গঢ়াত অভিনৰ প্ৰয়াস অব্যাহত ৰাখিছে। আজি উদ্যোগ নগৰী মাকুমৰ এই বিদ্যালয়খনে ২০২৪-২৫ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ শিক্ষাৰ্থীক অভিনন্দন জনোৱাৰ উদ্দেশ্যেৰে বিদ্যালয়খনত এক বিশেষ অভিনন্দন অনুষ্ঠান আয়োজন কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰ বাঁহীৰ সুমধুৰ সংগীতেৰে "বদৌচা এখন বিশাল আকাশ-মহানুভৱতাৰ নিবিড় প্ৰকাশ" শীৰ্ষক গীতেৰে শুভাৰম্ভ কৰা তথা বিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সভাপতি বিপ্লৱ বুঢ়াগোঁহাইৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ আঁত ধৰে ছাত্ৰ একতা সভাৰ সম্পাদক জ্ঞানদ্বীপ মৰাণে। অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি অসমৰ বৌদ্ধিক তাৰকা ময়ূৰ বৰাই কয় যে, বদৌচা চিনিয়ৰ ছেকেণ্ডেৰী স্কুলে মানুহৰ মাজত এক সাংঘাটিক ধৰণৰ স্বাভিমানৰ প্ৰতীক নহয়, আস্থাৰ প্ৰতীক দাঙি ধৰিবলৈ সক্ষম হৈছে। অতি কম দিনৰ ভিতৰতেই প্ৰতিযোগিতামূলক শৈক্ষিক ক্ষেত্ৰত বদৌচাৰ ভূমিকা অতি আদৰণীয় বুলিও তেখেতে অভিহিত কৰে। বদৌচাৰ শৈক্ষিক পৰিৱেশে ছাত্ৰ-ছাত্ৰীসকলক সদায়েই বেয়া কামৰ পৰা আঁতৰাই ৰাখিব বুলিও মন্তব্য কৰে বিশিষ্ট লেখক-সমালোচক ময়ূৰ বৰাই। বিদ্যালয়খনৰ সঞ্চালক মুনিন্দ্ৰ চুতীয়া আৰু ৰঞ্জন মৰাণে অতিথিসকলৰ আদৰণী পৰ্ব আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে বিদ্যালয়খনৰ জ্যেষ্ঠ সঞ্চালক অৰুণজ্যোতি মৰাণ, তিনিচুকীয়া জিলাৰ সহকাৰী উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাস, উপদেষ্টা ৰাণা চাংমাই, উত্তম দুৱৰা, অধ্যক্ষ অনুজ কুমাৰ দাস, অধ্যক্ষা ড° মালৱিকা ভূঞা ফুকন, জ্যেষ্ঠ সাংবাদিক হিমেন ভট্টাচাৰ্য, বদৌচাৰ প্ৰথমগৰাকী অধ্যক্ষ দুলুকান্ত মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি অভিজিৎ চেতিয়া, সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, শিক্ষাবিদ নীলাম্বৰ দহোতীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য জিতেন্দ্ৰ চুতীয়া, কৰবী কৃষ্ণা গগৈ, দীপা বৰা শইকীয়া আদিয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, বিদ্যালয়খনৰ সপোন সাকাৰ কৰিবলৈ অৰুণজ্যোতি মৰাণ, মুনিন্দ্ৰ চুতীয়া, ৰঞ্জন মৰাণ আৰু মনোৰম চুতীয়াই সংকল্প লৈছিল। সেই সংকল্পৰ ফলশ্ৰুতিতেই আজি বদৌচাৰ ছাত্ৰ-ছাত্ৰীয়ে এশ শতাংশ সৰ্বোচ্চ নম্বৰেৰে জিলিকিবলৈ সক্ষম হৈছে।

# বিটিআৰত শিক্ষক নিযুক্তিক লৈ প্ৰমোদ বড়ো চৰকাৰৰ ওপৰত প্ৰশ্ন

**ই-সংবাদ, তামাৰহাট, ৩০ মে':** বিটিআৰৰ শিক্ষা বিভাগে ২০২৪ চনৰ ২৪ নৱেম্বৰত অনুষ্ঠিত কৰা স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক নিযুক্তি পৰীক্ষাৰ ফলাফল এতিয়ালৈকে ঘোষণা নকৰাৰ ফলত প্ৰমোদ বড়ো চৰকাৰৰ ওপৰত তীব্ৰ সমালোচনা আৰম্ভ হোৱা পৰিলক্ষিত হৈছে। প্ৰথমতে বিটিআৰ প্ৰধান প্ৰমোদ বড়ো জানুৱাৰী মাহতেই ফলাফল ঘোষণা কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল। তাৰপিছত পুনৰ পৰীক্ষাৰ্থীসকলক document verification কৰিবলৈ মাতি ৮ মে' ২০২৫ তাৰিখে এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হয়। তেতিয়াও ফলাফল ঘোষণা নহ'ল। প্ৰমোদ বড়োৱে পুনৰ উল্লেখ কৰিছিল যে verification ৰ এক সপ্তাহৰ ভিতৰত ফলাফল আহিব, যদিও সেয়াও মিছা প্ৰমাণিত হ'ল। শেহতীয়াকৈ তেওঁ মিডিয়াৰ সন্মুখত ২০-২৫ দিনৰ ভিতৰত ফলাফল ঘোষণা কৰা হ'ব বুলি ক'লেও, অতি সাম্প্ৰতিক এক মন্তব্যত তেওঁ উল্লেখ কৰিছে যে জুলাই মাহত ফলাফল প্ৰকাশ কৰা হ'ব। ইপিনে, ৰাজ্য চৰকাৰে যোৱা ১৯ জানুৱাৰীত অনুষ্ঠিত একেধৰণৰ নিযুক্তি পৰীক্ষাৰ ফলাফল এতিয়া প্ৰকাশ কৰি চমক দিয়াৰ ফলত বিটিআৰ পৰীক্ষাৰ্থীসকলে প্ৰশ্ন উত্থাপন কৰিছে— কিয় বিটিআৰ চৰকাৰে আজিপৰ্যন্ত ফলাফল ঘোষণা কৰিব পৰা নাই? শিক্ষাৰ্থীসকলৰ মাজত গভীৰ অসন্তোষ আৰু আশংকাই দেখা দিছে যে জুলাই মাহৰ পাছত বিটিআৰ চৰকাৰৰ কাৰ্যকাল শেষ হ'ব আৰু নতুন নিৰ্বাচন আহিব। নিৰ্বাচনী আচৰণবিধি কাৰ্যকৰী হোৱাৰ আগতেই ফলাফল ঘোষণা হ'বনে, সেয়া এক ডাঙৰ প্ৰশ্ন। ইপিনে, বিপিএফ দলে ইতিমধ্যেই নিৰ্বাচনী কুচকাৱাজ আৰম্ভ কৰিছে আৰু এইবাৰ বিজেপিয়ে নিৰ্বাচনত শক্তিশালী ৰূপত ৪০ টা পৰিষদীয় সমষ্টিত অংশগ্ৰহণ কৰিব বুলি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া জনাইছে। তেনে পৰিস্থিতিত এটা পৰীক্ষাৰ ফলাফল সময়মতে প্ৰকাশ কৰিব নোৱাৰা প্ৰমোদ বড়ো চৰকাৰে পুনৰ জনতাৰ বিশ্বাস অৰ্জন কৰিব পাৰিবনে? বৰ্তমান বিটিআৰ জনসাধাৰণৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# চৰাইদেউত মুগা সঁচ উৎপাদন গৃহ উদ্বোধন

**ই-সংবাদ, মথুৰাপুৰ, ৩০ মে':** চৰাইদেউ মুগা আৰু কৃষি উৎপাদক কোম্পানী লিমিটেডৰ উদ্যোগত আদৰ্শ কৃষক দেৱ হাতীমূৰীয়াৰ সহযোগত বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ বাফাৰ জ'ন অন্তৰ্গত হাবি গাঁৱত মুগা সঁচ উৎপাদন গৃহৰ আজি উদ্বোধন কৰে চৰাইদেউ জিলাৰ ৰেচম বিভাগৰ বিষয়া এল কে শইকীয়াই। এই গৃহতেই আদৰ্শ কৃষক দেৱ হাতীমূৰীয়াই নিজৰ হস্তনিৰ্মীত অসমীয়াৰ থলুৱা সামগ্ৰীসমূহৰ যাদুঘৰো সংলগ্ন কৰিছে। উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা সভাত উপস্থিত থাকে নাজিৰাৰ কৃষি বিষয়া কংকণ পাটিৰ, চৰাইদেউ জিলাৰ জেষ্ঠ কৃষি বিষয়া মুস্তাছিম আহমেদ, চৰাইদেউ মুগা আৰু কৃষি উৎপাদন কোম্পানীৰ সঞ্চালিকা কাৰেৰী কছাৰী ৰাজকোঁৱৰ, অৰবিন্দ ৰাজকোঁৱৰ, বহুকেইজন মুগা পালককে প্ৰমুখ্যে কৰি বহু কেইজন বিশিষ্ট ব্যক্তি। মুগাশিল্পই বিশ্বৰ বজাৰ দখল কৰাৰ সময়ত মুগা পালকে সঁচ বিচাৰি মেঘালয়, গোৱালপাৰা আদি ঠাইত হাবাথুৰি খোৱাৰ সময়ত এই মুগা সঁচ উৎপাদন কেন্দ্ৰই স্থানীয় মুগাপালকক যথেষ্ট সকাহ দিব। চৰাইদেউ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হোৱাৰ পাছত এই কেন্দ্ৰই পৰ্যটনৰ দিশতো ভূমিকা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে ৰেচম বিষয়া এল কে শইকীয়াই। বৰ্তমান সময়ত নৱপ্ৰজন্মক কৃষিক্ষেত্ৰত অত্যাধুনিক যন্ত্ৰৰ জৰিয়তে আকৰ্ষিত কৰিব পাৰি বুলি মন্তব্য প্ৰকাশ কৰে অৰবিন্দ ৰাজখোৱাই। চৰাইদেউ মুগা আৰু কৃষি উৎপাদন কোম্পানী লিমিটেডে চাৰিশতকৈও অধিক লোকক লগত লৈ দুটাকৈ গোটৰ জৰিয়তে বস্ত্ৰ উৎপাদন, মুগা পালন আৰু কৃষি যেনে জহা চাউলৰ উৎপাদনৰ লক্ষ্য লৈ কাম কৰাৰ কথা ব্যক্ত কৰে সঞ্চালিকা কাৰেৰী কছাৰী ৰাজকোঁৱৰে। বিশেষকৈ বস্ত্ৰ উৎপাদনৰ ক্ষেত্ৰত সূতাৰ নাটনি হোৱাত সূতা উৎপাদনৰ ক্ষেত্ৰত স্থানীয় খেতিয়কসকলক উৎসাহিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিছে বুলি জনাই সঞ্চালিকাগৰাকীয়ে।



মৰিগাঁও জিলাৰ মায়ং ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত বিকশিত কৃষি সংকল্প অভিযানৰ এক দৃশ্য

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# আজিও শিল্পী পেঞ্চনৰপৰা বঞ্চিত নগাঁৱৰ বৰ্ষীয়ান কালীবাদক ভীমেশ্বৰ মুদৈ

## এইপৰ্যন্ত পোৱা নাই বৃদ্ধ পেঞ্চনোঃ চহা শিল্পীক চৰম উপেক্ষা ৰাজ্য চৰকাৰৰ

**ই-সংবাদ, বেবেজীয়া, ৩০ মে':** মানুহজনৰ নাম ভীমেশ্বৰ মুদৈ। এগৰাকী চহা শিল্পী। নগাঁও চহৰৰ নিকটৱৰ্তী মাহৰোল জুৰীয়াৰ মুদৈ চুবুৰি নিবাসী এইগৰাকী শিল্পী নিজ অঞ্চলত 'লোঠোকাই' বা 'কালিয়া' নামেৰেও পৰিচিত। শংকৰী কলা-কৃষ্টি-সংস্কৃতিৰ এগৰাকী নিৰব সাধক। ওৰে জীৱন সমাজৰ বিভিন্ন কাম-কাজৰ সৈতে জড়িত হৈ অহা এইগৰাকী গুণৱান ব্যক্তি কালী বাদক হিচাপে বিশেষভাৱে পৰিচিত। আজিৰ নৱ প্ৰজন্মৰ হয়তো বহুতেই চিনি নোপোৱা এই 'কালী' নামৰ বাদ্যবিধ হৈছে এবিধ পেঁপা বা কাহল। অৰ্থাৎ মুখেৰে ফুঁকি বজোৱা এবিধ পিতলৰ যন্ত্ৰ বা বাদ্য। জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত অংকীয়া ভাওনাত যি কেইপদ বাদ্য সংগত কৰা হয় তাৰ ভিতৰত অন্যতম বাদ্য হ'ল 'কালী'। দৰাচলতে অন্যান্য বাদ্যৰ লগতে কালী বাদন কৰিলেহে ৰাস বা ভাওনাৰ শোভা বৰ্দ্ধন হয় বাবেই এই ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। এই কালী বাদনৰ শব্দ বহু দূৰণিৰ পৰা ভাঁহি আহিলেই অনুমান কৰিব পাৰি ক'ৰবাত ভাওনা বা ৰাস উৎসৱ চলি থকাৰ বিষয়ে। বৰ্তমান ৭৫ বছৰ বয়সীয়া এইগৰাকী চহা শিল্পীয়ে জীৱনৰ অধিক সময় কালী বাদনেৰে অসমৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ সমাদৰ বুটলিবলৈ সক্ষম হৈছে। দুৰ্ভাগ্যৰ বিষয় এয়ে যে বৰ্তমান কালী বাদকৰ সংখ্যা নিচেই কম বাবে সকলোতে ৰাস-ভাওনাসমূহত কালী বাদন কৰা সততে পৰিলক্ষিত নহয়। কালী বাদকগৰাকীয়ে জনোৱা মতে, প্ৰায় পঞ্চাশ বছৰ পূৰ্বে একেখন গাঁৱৰে প্ৰয়াত বাপুতি মুদৈ নামৰ সম্পৰ্কত তেওঁৰ তাৰৈয়েকজনৰ পৰা মাত্ৰ ২৯ টকাত কিনি লৈছিল এটা কালী। আচলতে, কোনো স্কুলীয়া শিক্ষাগ্ৰহণ নকৰা তথা কালী বাদনৰো কোনো অভিজ্ঞতা নথকা ভীমেশ্বৰ



মুদৈক তাৰৈয়েকে এই বাদ্য ভাগ জোৰকৈয়ে দি সাধনা অব্যাহত ৰাখি ইয়াৰ জৰিয়তেই উপাৰ্জনৰ এক অন্যতম পথ হিচাপে বাছি ল'বলৈ পৰামৰ্শ দিছিল। সেই সময়ৰ পৰাই তাৰৈয়েককে মনত গুৰু হিচাপে মানি লৈ এইগৰাকী চহা শিল্পীয়ে নগাঁও জিলাৰ বিভিন্ন ঠাইৰ লগতে কাকী, বকলীয়াঘাট, ডিফু, তেজপুৰ, গোলাঘাট আদিতো ৰাস-ভাওনাত কালী বাদনেৰে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। জানিব পৰা মতে, পূৰ্বতে তেওঁক কোনো এখন ৰাস বা ভাওনাত কালী বাদনৰ বাবদ ১৫০-২০০ টকা দিছিল যদিও আজিকালি উদ্যোক্তাসকলে ২৫০০ টকা পৰ্যন্ত আগবঢ়ায়। এগৰাকী সাধাৰণ কৃষক হিচাপে নিজৰ কৃষিকৰ্মৰ ব্যস্ততাৰ মাজতো সামাজিক দায়বদ্ধতাৰ বাবেই হওঁক নতুবা উপাৰ্জনৰ বাবেই হওঁক কালী বাদনকেই অন্যতম পথ হিচাপে বাছি লোৱা ভীমেশ্বৰ মুদৈৰ পৰিয়ালত আছে পত্নী, এটি পুত্ৰ, বোৱাৰী আৰু এটি নাতি। সুদীৰ্ঘ কাল কালী বাদনেৰে অসমীয়া সমাজ জীৱনত বিশেষ প্ৰভাৱ পেলোৱা এইগৰাকী শিল্পী বৰ্তমান নগাঁও জিলাৰ ভিতৰতে বয়োজ্যেষ্ঠ কালী বাদক। তেওঁ জনোৱা মতে, বৰ্তমান জিলাখনত কালী বাদকৰ সংখ্যা নিচেই তাকৰ। নতুন প্ৰজন্মই এই বাদ্য বিধ শিকিবলৈ আগ্ৰহী নহয় বুলি আক্ষেপ কৰি তেওঁ কাৰোবাক এই বাদ্য বিধৰ শিক্ষা দিব পাৰিলে সুখী হ'ব বুলি জানিবলৈ দিয়ে। এইগৰাকী বিশিষ্ট কালী বাদকক ইতিমধ্যে নগাঁও জিলা সাহিত্য সভা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতি আৰু মৰিকলং আঞ্চলিক সমিতি, সদৌ নগাঁও ভোগালী বিহু উৎসৱ সমিতি, আসাম প্ৰেছ কৰেছপণ্ডেন্ট ইউনিয়ন চমুকৈ আপকু, নগাঁও ভাওনা সমাৰোহ, ন-ৰূপ সাংস্কৃতিক গোষ্ঠী-ৰহদৈ, সাংস্কৃতিক উন্নয়ন সংঘ-মৰিকলং, প্ৰগতি গ্ৰন্থাগাৰ আৰু সংঘৰ উদ্যোগত অনুষ্ঠিত ৰাস উৎসৱ, ডুগডুগী আদি বিভিন্ন অনুষ্ঠানৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱাৰ উপৰি ২০১৩ চনত নগাঁও ভাওনা সমাৰোহত শ্ৰেষ্ঠ কালী বাদক হিচাপে সন্মানিত কৰিছিল। কিন্তু পৰিতাপৰ কথা যে বিভিন্ন প্ৰান্তৰ ৰাইজে সন্মান জনাই আহিছে যদিও এনে এগৰাকী চহা শিল্পীৰ প্ৰতি বৰ্তমানলৈকে পৰা নাই চৰকাৰৰ সুদৃষ্টি। আজি পৰ্যন্ত এইগৰাকী দৰিদ্ৰ আৰু বৃদ্ধ শিল্পীয়ে লাভ কৰা নাই চৰকাৰী শিল্পী পেঞ্চন। আনকি, স্থানীয় জনপ্ৰতিনিধি তথা গাঁও পঞ্চায়তেও আজিৰ তাৰিখলৈকে বৃদ্ধ পেঞ্চনৰ বাবে তেওঁৰ নাম অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই। সেয়ে এইগৰাকী প্ৰকৃত নিভাঁজ শিল্পীৰ জীৱনৰ বিয়লি বেলা হ'লেও চৰকাৰী শিল্পী পেঞ্চন আগবঢ়াই উপকৃত কৰিবলৈ স্থানীয় ৰাইজে চৰকাৰলৈ আহ্বান জনাইছে।

---

## প্ৰবল ধুমুহা-বৰষুণত অথন্তৰ, ই-ৰিক্সাৰ ওপৰত গছ বাগৰি কেইবাজনো চিকিৎসাধীন

# ছিপাঝাৰত চিকিৎসকৰ মূৰত ভাগি পৰিল চিলিং

**ই-সংবাদ, ছিপাঝাৰ, ৩০ মে':** যোৱা বুধবাৰৰ পৰা আৰম্ভ হোৱা নেৰানেপেৰা বৰষুণজাকে আজি মুষলধাৰৰ ৰূপ লোৱাৰ সমান্তৰালভাৱে ধুমুহায়ো তাণ্ডৱ চলাই বৃহত্তৰ ছিপাঝাৰৰ কেইবা ঠাইতো অথন্তৰ ঘটায়। ইয়াৰে প্ৰথমটো ঘটনা সংঘটিত হয় হাজৰিকাপাৰাৰ পিঠাখোৱা গাঁৱত। হাজৰিকাপাৰা গাঁও পঞ্চায়তত অনুষ্ঠিত আত্মসহায়ক গোটৰ এখন সভাত অংশগ্ৰহণ কৰিবলৈ এখন ই-ৰিক্সাৰে গৈ থকা অৱস্থাত এদাল প্ৰকাণ্ড গছ উভালি পৰে ই ৰিক্সাখনৰ ওপৰত। ফলত যাত্ৰী হিচাপে যোৱা সাতগৰাকী মহিলাসহ চালকজন আহত হয়। ইয়াৰ ভিতৰত চাৰিগৰাকী মহিলা আৰু চালকজন গুৰুতৰভাৱে আহত হোৱাৰ বিপৰীতে আন তিনিগৰাকী মহিলা সামান্যভাৱে আহত হয়। আটাইকেইজন আহতকে ছিপাঝাৰ সামূহিক স্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰোৱাৰ পিছত চাৰিগৰাকী মহিলাক চিকিৎসা প্ৰদান কৰি থকা হৈছে। ইপিনে চালকজনৰ অৱস্থা সংকটজনক হোৱা বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। ইয়াৰ পিছতে দ্বিতীয়টো অঘটন ঘটে ছিপাঝাৰ সামূহিক স্বাস্থ্যকেন্দ্ৰত। বহি: বিভাগত চায়েনা পাৰবিন নামৰ চিকিৎসক গৰাকীয়ে ৰোগীক চিকিৎসা কৰি থকাৰ সময়ত মূৰৰ ওপৰত চিলিঙৰ এটা অংশ ভাঙি পৰে। ফলত চিকিৎসকগৰাকী সামান্য পৰিমাণে আহত হয়। আনহাতে, ইয়াৰ দুমুনিচকীস্থিত বৰনৈ চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ শিক্ষকসকলৰ কমন ৰুমৰ ওপৰতে এদাল প্ৰকাণ্ড গছ উভালি পৰাৰ ফলত কোঠাটোৰ বিস্তৰ ক্ষতি সাধন হয় যদিও কথমপি প্ৰাণৰক্ষা পৰে শিক্ষকবৃন্দৰ। উল্লেখ্য যে সমগ্ৰ দিনটোত মুষলধাৰ বৰষুণৰ লগতে মাজে মাজে অহা ধুমুহাই বহুতো ঠাইত প্ৰকাণ্ড প্ৰকাণ্ড গছ উভালি তাঁৰ চিগাৰ সমান্তৰালভাৱে খুঁটা ভঙাৰ বাবে যোৱানিশাৰে পৰা সমগ্ৰ অঞ্চলটোত বিদ্যুৎসেৱা ব্যাহত হৈ আছে।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ ‘ৰাণ্ডাৰ বয়’ বৈভৱৰ

**পাটনা, ৩০ মে':** আই পি এলত ধুমুহাৰ সৃষ্টি কৰা ১৪ বছৰীয়া যুৱ ক্ৰিকেটাৰ বৈভৱ সূৰ্যবংশীয়ে আজি পাটনা বিমানবন্দৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ চৰণ স্পৰ্শ কৰি সেৱা জনায়। ৰাজস্থান ৰয়েলছৰ হৈ খেলা ৰাণ্ডাৰ-কিডজনক সাক্ষাৎ কৰি প্ৰধানমন্ত্ৰীয়ে তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। আই পি এলৰ এই ছিজনত ৰাজস্থান ৰয়েলছ প্লে অফত প্ৰৱেশ কৰিব নোৱাৰিলেও বৈভৱ সূৰ্যবংশীয়ে ৩৫ বলৰ শতকেৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। মাত্ৰ ১৪ বছৰ বয়সতে আই পি এলত সুযোগ লাভ কৰি গুজৰাট টাইটানছৰ বিৰুদ্ধে ৩৮ বলত ১০১ ৰানৰ বিধ্বংসী ইনিংছ খেলি ক্ৰিকেট জগতক স্তম্ভিত কৰি তুলিছিল। টি-২০ ক্ৰিকেটত শতক অৰ্জন কৰা সৰ্বকনিষ্ঠ খেলুৱৈ হিচাপে অভিলেখ গঢ়িছে বৈভৱে। আই পি এলৰ ইতিহাসত দ্ৰুততম শতক অৰ্জনৰ তালিকাত দ্বিতীয় স্থানত আছে। আজি প্ৰধানমন্ত্ৰী মোদীৰ বিহাৰ ভ্ৰমণৰ সময়ত বৈভৱে পিতৃ-মাতৃৰ সৈতে পাটনা বিমানবন্দৰত প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰে।




সাক্ষাতৰ অন্তত প্ৰধানমন্ত্ৰীয়ে তেওঁৰ এক্স হেণ্ডেলত বৈভৱ আৰু তেওঁৰ পৰিয়ালৰ সৈতে এখন ছবি পোষ্ট কৰি লিখিছে, "পাটনা বিমানবন্দৰত যুৱ ক্ৰিকেটাৰ বৈভৱ সূৰ্য্যবংশী আৰু তেওঁৰ পৰিয়ালক লগ পালোঁ। সমগ্ৰ দেশ বৈভৱৰ খেলত আপ্লুত। ভৱিষ্যতৰ বাবে তেওঁৰ শুভকামনা জনাইছো।" ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে বৈভৱৰ খেলক প্ৰশংসা কৰি কয় যে, "আই পি এলত বিহাৰৰ বৈভৱ সূৰ্য্যবংশীক খেলা দেখিছিলো। ইমান কম বয়সতে বৈভৱে এক ডাঙৰ অভিলেখ গঢ়ি তুলিছে। তেওঁৰ সফলতাৰ আঁৰত বহু কষ্ট আছে।" বৰ্তমানৰ আই পি এলত বৈভৱে ৭খন খেলত মুঠ ২৫২ ৰান সংগ্ৰহ কৰিছে, যিটো তেওঁৰ বয়সৰ প্ৰতি লক্ষ্য ৰাখি এক অসাধাৰণ কৃতিত্ব।





আইপিএল ২০২৫ এলিমিনেটৰ মেচত গুজৰাটৰ বিৰুদ্ধে অৰ্ধশতক অজন মুম্বাই ইণ্ডিয়ানছৰ ৰোহিত শৰ্মাৰ

## ১৭ বছৰীয়া প্ৰতীক্ষাৰ অন্তত ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু

# আৰচিবি জিকিলে চৰকাৰী বন্ধ দিয়কঃ মুখ্যমন্ত্ৰীলৈ পত্ৰ অনুৰাগীৰ

**বাংগালুৰু, ৩০ মে':** ১৭ বছৰীয়া প্ৰতীক্ষাৰ অন্তত অৱশেষত আইপিএল জয়ৰ দিশে ধাৰমান হৈছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু। আৰু মাত্ৰ এখন মেচত জয়লাভ কৰিব পাৰিলেই বহু প্ৰত্যাশিত বিজয়ৰ ট্ৰফী স্পৰ্শ কৰাৰ সপোন পূৰণ হ'ব দলটোৰ। ইতিমধ্যেই দলটোৱে নিশ্চিত কৰিছে ফাইনেলত স্থান। এই পৰিৱেশত উন্মাদনা ইমানেই বেছি যে আৰ চি বিৰ এজন অনুৰাগীয়ে পোনপটীয়াকৈ কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্দাৰমাইয়ালৈ চিঠি লিখি দলটোৱে চেম্পিয়নশ্বিপত জয়ী হ'লে চৰকাৰী বন্ধৰ দাবী জনাইছে। ইয়াৰ পিছতে সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে এই পত্ৰ। উল্লেখ্য যে, প্ৰথম কোৱালিফায়াৰত পঞ্জাব কিংছক বাহিৰ কৰি ফাইনেলত প্ৰৱেশ কৰিছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু (আৰ চি বি)য়ে। যদিও ফাইনেলত তেওঁলোকৰ প্ৰতিদ্বন্দ্বী এতিয়াও চূড়ান্ত হোৱা নাই, তথাপিও বাংগালুৰু অনুৰাগীৰ মাজত ইতিমধ্যে উৎসৱমুখৰ প্ৰস্তুতি আৰু প্ৰাৰ্থনা আৰম্ভ হৈছে। অনুৰাগীৰ আশা এই ছিজনত ইমানেই বাঢ়িছে যে মুলনপুৰত পঞ্জাৱৰ বিৰুদ্ধে খেলখনত এগৰাকী মহিলা অনুৰাগীয়ে পোষ্টাৰ লৈ আবিৰ্ভাৱ হৈছে- যদি এইবাৰ আৰ চি বি চেম্পিয়ন নহয় তেন্তে ডিভ'ৰ্চ দিব! একেদৰে অভিলাষী আৰ চি বিৰ অনুৰাগী শিৱানন্দ মল্লন্নৱৰো। কৰ্ণাটকৰ বেলাগাৱী জিলাৰ এইগৰাকী বাসিন্দাই মুখ্যমন্ত্ৰী সিদ্দাৰমাইয়াক উদ্দেশ্যি এখন পত্ৰ প্ৰেৰণ কৰিছে। তেওঁৰ মূল কথা হ'ল আৰ চি বি যদি আই পি এল চেম্পিয়ন হয় তেন্তে সেই দিনটোক ‘আৰ চি বি অনুৰাগী উৎসৱ’ হিচাপে ঘোষণা কৰা উচিত। শিৱানন্দই বিচাৰে এই দিনটোক কৰ্ণাটক ৰাজ্যোৎসৱৰ দৰেই মৰ্যাদা প্ৰদান কৰি প্ৰতি বছৰে চৰকাৰী বন্ধৰ দিন হিচাপে পালন কৰা হওক। তেওঁৰ পত্ৰত লগতে অনুৰোধ কৰা হৈছে যে যদি আৰ চি বিয়ে আই পি এলত জয়লাভ কৰে তেন্তে কৰ্ণাটকৰ প্ৰতিখন জিলাতে এক ভব্য বিজয় উদযাপনৰ আয়োজন কৰা উচিত আৰু দলৰ প্ৰতিজন খেলুৱৈক সম্বৰ্ধনা জনোৱা উচিত। শিৱানন্দই প্ৰেৰণ কৰা এই চিঠিখনে ইতিমধ্যে ছ'চিয়েল মিডিয়াত ধুমুহাৰ সৃষ্টি কৰিছে।




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি